www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, NOVEMBER 15, 2024 ■ শুকুৰবাৰ, ২৯ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩১২ Guwahati, Assam ।। মূল্যঃ এটকা


## ৰঙিয়াত স্কুললৈ শিক্ষা বিভাগৰ জাননী

**ই-সংবাদ, ৰঙিয়া, ১৪ নৱেম্বৰঃ** অৱশেষত প্ৰতিবাদী শিক্ষকৰ বিৰুদ্ধে কঠোৰ হৈছে অসম ৬ পৃষ্ঠাত চাওক

## বাজেটত নিৰ্ধাৰিত বিধায়কৰ উন্নয়ন পুঁজিৰ ধন মোকলাই দিয়াতো ব্যৰ্থ

# ঋণৰ পিছত ঋণ লৈ দেউলীয়া হিমন্তৰ চৰকাৰ!

### জবকাৰ্ডৰ কামো বন্ধ, সংবাদমেলত অভিযোগ দেৱব্ৰত শইকীয়াৰ

**ই-সংবাদ, ১৪ নৱেম্বৰঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ অসম চৰকাৰ সম্পূৰ্ণৰূপে দেউলীয়া হৈছে এই চৰকাৰে বাজেটত নিৰ্ধাৰিত** শেষাংশ ৫ পৃষ্ঠাত



## গৌৰৱৰ বিৰুদ্ধে আকৌ সৰৱ পীযুষ, দিলে সংবাদমেল

**ই-সংবাদ, ১৪ নৱেম্বৰঃ** বিহালীত কংগ্ৰেছৰ চৰাইদেউ জিলাৰ সভাপতি উৎপল গগৈক ভোটগ্ৰহণৰ দিনটোত এটা বুথত শেষাংশ ৪ পৃষ্ঠাত

## ৩৩টা কেন্দ্ৰত পুনৰ ভোট গ্ৰহণৰ দাবী তাঞ্জিলৰ

**ই-সংবাদ, ১৪ নৱেম্বৰঃ** অসমৰ পাঁচটা সমষ্টিত উপ-নিৰ্বাচন অনুষ্ঠিত হৈ যোৱাৰ পাছতে চামগুৰি সমষ্টিৰ এটা প্ৰান্তত শেষাংশ ৪ পৃষ্ঠাত

## জনজাতিকৰণক লৈ উত্তাল ধেমাজি

**ই-সংবাদ, ১৪ নৱেম্বৰঃ** ক্ৰমে উত্তপ্ত হ'বলৈ আৰম্ভ কৰিছে অসম। বিশেষকৈ ২০২৬ৰ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ শেষাংশ ৩ পৃষ্ঠাত

## ১০৮ কৰ্মচাৰী সন্থাৰ প্ৰতিবাদ

**ই-সংবাদ, ১৪ নৱেম্বৰঃ** শীঘ্ৰে প্ৰাপ্য আদায় দিয়াৰ দাবীৰে পুনৰ আন্দোলন তীব্ৰতৰ কৰিছে সদৌ অসম ১০৮ শেষাংশ ৫ পৃষ্ঠাত



মহানগৰীৰ চছলত সদৌ অসম ১০৮ কৰ্মচাৰী সন্থাৰ প্ৰতিবাদ

### আইইডি সংস্থাপনত জড়িত নহয় বুলি দাবী

## লাচিতৰ ইতিহাসক বিকৃত কৰা হিন্দুত্ববাদীক সকীয়নি আলফাৰ



সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন)
United Liberation Front of Asom (ULFA-Independent)
JAI AI ASOM


**ই-সংবাদ, ১৪ নৱেম্বৰঃ** অসমৰ থলগিৰি জনগণৰ বুৰঞ্জীক বিকৃত নকৰিবলৈ বজৰং দলক শেষবাৰৰ বাবে সকীয়নি প্ৰদান কৰিছে সংযুক্ত মুক্তি বাহিনী অসম (স্বাধীন) চমুকৈ আলফা স্বাধীনে। অসমৰ থলগিৰি জাতি-জনগোষ্ঠীৰ শৌৰ্য-বীৰ্য তথা সাহসৰ প্ৰতীক মহাবীৰ লাচিত বৰফুকন আৰু 'হেংদাং'ৰ বুৰঞ্জীক বিকৃত শেষাংশ ৩ পৃষ্ঠাত

### অনুৰাধা, গোবিন্দ শৰ্মায়ো কৰিলে নাম প্ৰত্যাহাৰ

## নেছেল হ'ল পেনেল! সভাপতি হ'বলৈ কোনেও নেখেলে নিৰ্বাচনী খেল

**ই-সংবাদ, ১৪ নৱেম্বৰঃ** ইজনৰ পিছত সিজনে লোকে অসম সাহিত্য সভাৰ সভাপতি পদত প্ৰতিদ্বন্দ্বিতা নকৰাৰ অনিচ্ছা প্ৰকাশ শেষাংশ ৩ পৃষ্ঠাত





## মণিপুৰত পুনৰ আফস্পা

**ইম্ফল, ১৪ নৱেম্বৰঃ** গোষ্ঠীগত হিংসাত জ্বলি থকা মণিপুৰৰ পুনৰ ৬টা অঞ্চলত বলবৎ কৰা হ'ল সশস্ত্ৰ বাহিনী (বিশেষ ক্ষমতা) আইন। শেষাংশ ২ পৃষ্ঠাত

## দিল্লীৰ নতুন মেয়ৰ হ'ল মহেশ

**নতুন দিল্লী, ১৪ নৱেম্বৰঃ** বিগত কেইবামহীয়া হাইভল্টেজ ড্ৰামাৰ অন্ত পেলাই অৱশেষত দিল্লীৰ নতুন মেয়ৰ নিৰ্বাচিত হ'ল আম আদমী পাৰ্টিৰ মহেশ খিনচি। বৃহস্পতিবাৰে শেষাংশ ৫ পৃষ্ঠাত

## ধৰ্মনিৰপেক্ষ শব্দ বাদ দিবলৈ যো-জা নতুন বাংলাদেশৰ

**ঢাকা, ১৪ নৱেম্বৰঃ** মুছলমানপ্ৰধান বাংলাদেশৰ সংবিধানত এতিয়া আৰু প্ৰয়োজন নাই 'ধৰ্মনিৰপেক্ষতা' শব্দৰ। বৃহস্পতিবাৰে বাংলাদেশ উচ্চ ন্যায়ালয়ত সংবিধানৰ পোন্ধৰতম শেষাংশ ২ পৃষ্ঠাত

## বাঢ়িছে চাহিদা... 'খাৰ খোৱা অসমীয়া'ই কলাখাৰক পাহৰা নাই!

■ **জয়ন্ত মুদৈ**

**চাওতে** চাওতে কাতি গৈ আঘোণ পাবৰেই হ'ল। অসমীয়া বৰ্ষৰ সপ্তমটো মাহ কাতিক কঙালী বুলি অতীজৰে পৰা সকলোৰে কৈ আহিছে। গতিকে কঙালখ্যাত গমি-পিতিহে সকলোৱে কৰ্ম সম্পাদন কৰে। অৰ্থাৎ কাতিত সাধাৰণতে সকলো ব্যক্তিয়েই মিতব্যয়ী হ'বলৈ আপ্ৰাণ চেষ্টা কৰা দেখা যায়। কিন্তু কঙালৰ দৰে এক সুকীয়া পৰিচয় থকা কাতিয়ে অসমীয়া সমাজক লক্ষণীয়ভাৱে





প্ৰদান কৰি আহিছে আন এক পৰিচয়। সেয়া হ'ল কাতিৰ কলাখাৰ। হয়, খাৰ খোৱা অসমীয়াৰ খাৰ প্ৰস্তুত কৰাৰ উত্তম মাহ এই কঙালী কাতি। অশুভ বুলি বহুতেই ভাবি অহা কাতি মাহতে উৎপাদন কৰা হয় শেষাংশ ২ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# বাঢ়িছে চাহিদা... 'খাৰ খোৱা অসমীয়া'ই

অসমীয়াৰ অন্যতম খাদ্য সম্ভাৰ কলাখাৰ। অতীতত অসমীয়াসকলে, বিশেষকৈ অনাৰ্যসকলে নিমখৰ সলনি আঞ্জাত খাৰ দি খাইছিল। "খাৰ খোৱা অসমীয়া" বাক্যটিৰ প্ৰচলনৰ উৎস তেনেকৈয়ে হোৱা বুলি ভবাৰ থল আছে। আঞ্জাত খাৰ ব্যৱহাৰ কৰা হয় প্ৰধানকৈ দুটা কাৰণত। প্ৰথমটো কাৰণ, নিমখৰ বিকল্প হিচাপে খাদ্যত খাৰ ব্যৱহাৰ কৰা হৈছিল। দ্বিতীয় কাৰণটো হ'ল- সততে নিসিজা শাক-পাচলিত খাৰ দিলে সোনকালে সিজে। খাদ্য হিচাবে কলাখাৰৰ অনেক উপকাৰিতাৰ ভিতৰত উল্লেখযোগ্য হ'ল - ই পেটৰ অম্ল বা এচিডিটিৰ উপশম ঘটায়। খাদ্যৰ প্ৰতি ৰুচি বঢ়ায়। অভোক আঁতৰায়। খাদ্য সহজে হজম কৰায়। কলখাৰৰ 'ৰাসায়িনক নাম হ'ল প'টাছিয়াম-বাই-কাৰ্বনেট(KHCO3)। খাদ্যৰ পাচনৰ বাবে মানৱ পাকস্থলীত হাইড্ৰক্ল'ৰিক এচিড থাকে। পাচন প্ৰক্ৰিয়াত এই এচিড সম্পূৰ্ণৰূপে ব্যৱহৃত নহ'লে এচিডিটিৰ উদ্ভৱ হয়। কলাখাৰে হাইড্ৰক্ল'ৰিক এচিডৰ লগত ৰাসায়িনক বিক্ৰিয়া কৰি লৱণৰ (KCl) উৎপাদন কৰে, অৰ্থাৎ এচিডিটি নাইকিয়া কৰে। এই কলাখাৰ প্ৰস্তুতকৰণৰ বাবে দৰকাৰ হোৱা ৰ'দৰ উত্তাপ কেৱল সম্ভৱপৰ হয় কাতি মাহতহে। আচলতে, কলাখাৰৰ লুণীয়া গুণৰ কাৰণেই অসমীয়া সমাজত এইবিধ সামগ্ৰীৰ বিশেষভাৱে জনপ্ৰিয়তা আছে। সাধাৰণতে অসমীয়া সমাজৰ কলাখাৰৰ বাবে আন কলগছৰ তুলনাত আঠিয়া কলৰ খাৰহে অধিক উৎকৃষ্ট মানদণ্ডৰ। সেয়ে, অসমীয়া ৰাইজে নিজৰ ঠাইত বা ঘৰত নাথাকিলেও অন্য ঠাইৰ পৰা আঠিয়াকলৰ মধুনা বা বৌখা বিচাৰি আনি সেইবোৰ এটা নিৰ্দিষ্ট জোখত চিৰিলা-চিৰিলকৈ ফালি কাতিমহীয়া ৰ'দত শুকাবলৈ নিজৰ চোতালত নতুবা আন কোনো মুকলি ঠাইত মেলি দিয়ে। এইদৰে কেইদিনমান ৰ'দত ভালদৰে শুকুৱাৰ পিছত খৰখৰীয়া হ'লে এই মধুনা বা বৌখাবোৰ জুইত পুৰি লোৱা হয় আৰু এইবোৰ পুৱাৰ পিছত যিখিনি ছাই ওলায় তাৰ পৰাই প্ৰস্তুত কৰা হয় অসমীয়াৰ কলাখাৰ। গোটেই বছৰটোৰ কাৰণে সাঁচি ৰখা এই খাৰ আকৌ কাতি মাহৰ কৃষ্ণপক্ষতহে উৎপাদন কৰা হয় যদিও বৰ্তমানে বহুতেই শুক্লপক্ষটো উৎপাদন কৰা পৰিলক্ষিত হৈছে। অসমীয়াৰ বিশ্বাস যে শুক্লপক্ষতকৈ কৃষ্ণপক্ষত উৎপাদিত কলাখাৰহে উৎকৃষ্ট। এনেদৰে প্ৰস্তুত কৰা কলাখাৰ মাহেকে-পষেকে গঞ্জা ৰাইজে মাটিমাহ নতুবা অন্য শাক-আঞ্জা আদিত সামান্য পৰিমাণে মিহলি কৰি পৰিৱেশন কৰে। অসমীয়া নৱ-প্ৰজন্মৰ বাবে "খাৰ খোৱা অসমীয়া" এক বদনামী অভিধা হ'লেও পুৰণিকালত কলগছৰ মধুনা বা বৌখাৰ পৰা খাৰ উৎপাদন কৰাটো এক স্বাস্থ্যসন্মত প্ৰক্ৰিয়া বুলি অভিহিত হৈ আহিছে। সাহিত্য ডট অৰ্গত প্ৰকাশিত এটি লেখাত লেখক ৰাজীৱ বৰাই আনকি ধেমালিতে হ'লেও এনেকৈয়ো লিখিছিল যে অসম ভূ খণ্ডত বসবাস কৰি থকা যিয়েই কলাখাৰ খায় আৰু খাই ভাল পায়, সিয়েই অসমীয়া। সেয়ে হয়তো বজাৰৰ কৃত্ৰিম খাৰৰ তুলনাত অসমীয়াৰ কলাখাৰৰ জনপ্ৰিয়তা অতীজতে যেনেদৰে আছিল সেয়া কিন্তু এতিয়াও হ্ৰাস পোৱা নাই। গ্ৰামাঞ্চলৰ লগতে আজিকালি গুৱাহাটী মহানগৰীৰ নামী-দামী শ্বপিং মলো কলাখাৰে শুৱনি কৰা দেখা গৈছে। আনকি বিদেশলৈকো কলাখাৰ নি ইয়াৰ জুতি লোৱা কাৰ্য অসমীয়াৰ বাবে গৌৰৱৰ বিষয় হিচাপে চিহ্নিত হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ধৰ্মনিৰপেক্ষ শব্দ বাদ দিবলৈ যো-জা

সংশোধনী বাতিলৰ সন্দৰ্ভত অন্তৰ্বৰ্তীকালীন চৰকাৰৰ স্থিতি স্পষ্ট কৰি এই মন্তব্য কৰে এটৰ্নী জেনেৰেল মহম্মদ আছাদুজ্জামানে। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ ফাৰাহ মাহবুব আৰু ন্যায়াধীশ দেবাশীষ ৰায় চৌধুৰীৰ বিচাৰপীঠৰ সন্মুখত এটৰ্নী জেনেৰেলে কয় যে পোন্ধৰতম সাংবিধানিক সংশোধনীৰ জৰিয়তে সংবিধানৰ বুকুত কুঠাৰাঘাত কৰা হৈছে। তেওঁ লগতে কয় যে এই সংশোধনীৰ জৰিয়তে শ্বেখ হাছিনাৰ প্ৰধানমন্ত্ৰীত্বৰ সময়ত 'কেয়াৰটেকাৰ চৰকাৰৰ অধীনত সংসদীয় নিৰ্বাচন অনুষ্ঠিত কৰাৰ সাংবিধানিক বাধ্যবাধকতা'ও বিলুপ্ত কৰা হৈছিল। এটৰ্নী জেনেৰেলে আছাদুজ্জামানে লগতে কয় যে, "এই দেশৰ ৯০ শতাংশ লোক মুছলমান, গতিকে 'ধৰ্মনিৰপেক্ষতা' শব্দটো ব্যৱহাৰ কৰাৰ প্ৰয়োজন নাই। ইয়াৰ পূৰ্বে সংবিধানত আল্লাহৰ ওপৰত অদম্য আস্থা আৰু বিশ্বাসৰ এটা শব্দ আছিল। আমি বিচাৰো যে সেয়া পুনৰ স্থাপন কৰা হওক।" প্ৰসংগক্ৰমে ২০১১ চনৰ ৩০ জুনত শ্বেখ হাছিনাৰ কাৰ্যকালত বাংলাদেশৰ সংবিধানৰ পোন্ধৰতম সংশোধনী গৃহীত হয়। এই সংশোধনীৰ জৰিয়তে সংবিধানত কেতবোৰ উল্লেখযোগ্য পৰিৱৰ্তন অনা হৈছিল। বংগবন্ধু মুজিবুৰ ৰহমানৰ অধীনত ১৯৭২ চনৰ সংবিধানত 'জাতীয়তাবাদ, সমাজবাদ, গণতন্ত্ৰ আৰু ধৰ্মনিৰপেক্ষতা'ৰ কথা উল্লেখ কৰা হৈছিল। কিন্তু জেনেৰেল জিয়াউৰ ৰহমান আৰু জেনেৰেল হুছেইন মহম্মদ এৰছাদৰ সময়ত ধৰ্মনিৰপেক্ষতাৰ এই নীতি সলনি হৈছিল। কিন্তু হাছিনা চৰকাৰৰ সময়ত সংবিধানৰ পোন্ধৰতম সংশোধনীয়ে এই চাৰিটাক 'মৌলিক ৰাষ্ট্ৰ নীতি' হিচাপে পুনৰ প্ৰতিষ্ঠা কৰে। বাংলাদেশৰ প্ৰচণ্ড বিক্ষোভৰ পিছত পতন ঘটা হাছিনা চৰকাৰৰ পিছত এতিয়া ক্ষমতাসীন হৈ থকা অন্তৰ্বৰ্তীকালীন চৰকাৰে এতিয়া বাতিল কৰিব বিচাৰিছে সংবিধানৰ এই সংশোধনী। বুধবাৰে আদালতৰ শুনানিৰ সময়ত এটৰ্নী জেনেৰেল মহম্মদ আছাদুজ্জামানে কয় যে বাংলাদেশৰ পৰিৱৰ্তিত পৰিস্থিতিত তথা শেহতীয়া পৰিৱৰ্তনৰ পিছত যুদ্ধৰ যুগৰ ধৰ্মনিৰপেক্ষতা আৰু সমাজবাদী মনোভাৱৰ প্ৰয়োজনীয়তা এতিয়া নোহোৱা হৈ পৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মণিপুৰত পুনৰ আফস্পা

উত্তৰ-পূবৰ ৰাজ্যখনত বিগত কিছুদিন ধৰি পুনৰ হিংসাত্মক ঘটনা বৃদ্ধি পোৱাৰ পিছতে জিৰিবামকে ধৰি ৬টা আৰক্ষী থানা এলেকাত পুনৰ এই আইন বলবৎ কৰিছে কেন্দ্ৰীয় চৰকাৰে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এক অধিসূচনাযোগে কয় যে সেই অঞ্চলকেইটাত গোষ্ঠীগত হিংসাৰ বাবে অব্যাহত থকা অস্থিৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত লোৱা হৈছে। ইম্ফল পশ্চিম জিলাৰ ছেকমাই আৰু লামছাং, ইম্ফল পূব জিলাৰ লামলাই, জিৰিবাম জিলাৰ জিৰিবাম, কংপোকপিৰ লেইমাখং আৰু বিষ্ণুপুৰৰ মইৰাং আদি আৰক্ষী থানাৰ এলেকাসমূহৰ ভিতৰত আফছপা পুনৰ জাৰি কৰা হৈছে। প্ৰণিধানযোগ্য যে, শেহতীয়াকৈ এই ছয়টা এলেকাসহ মুঠ ১৯টা বাদ দি সমগ্ৰ ৰাজ্যখনতে আফছপা আইন বলবৎ কৰিছিল মণিপুৰ চৰকাৰে। ইয়াৰ পিছতে এইবাৰ পুনৰ এই ছয়টা থানা এলেকাত জাৰি কৰা হয় আফছপা। ইফালে, মণিপুৰ চৰকাৰৰ ১ অক্টোবৰৰ নিৰ্দেশৰ পৰা বাদ পৰা থানাসমূহ হ'ল ইম্ফল, লামফল, চিটি, চিংজামেই, ছেকমাই, লামছাং, পাটছ'ই, ৰাংগোই, প'ৰমপাট, হেইংগাং, লামলাই, ইৰিলবুং, লেইমাখং, থৌবাল, বিষ্ণুপুৰ, নামবোল, মাইৰাং, কাকচিং আৰু জিৰিবাম। লক্ষণীয় যে, সোমবাৰে মণিপুৰৰ জিৰবাম জিলাৰ এখন থানা আৰু কাষৰীয়া চি আৰ পি এফ কেম্পত ছদ্মবেশত অহা অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত উগ্ৰপন্থীয়ে নিৰ্বিচাৰ গুলীচালনা কৰিছিল। সোমবাৰে নিৰাপত্তাৰক্ষী আৰু উগ্ৰপন্থীৰ সংঘৰ্ষত এঘাৰজন সন্দেহযুক্ত উগ্ৰপন্থী নিহত হয়। আনহাতে এই সংঘৰ্ষৰ এদিন পিছতে অৰ্থাৎ মঙলবাৰে সশস্ত্ৰ উগ্ৰপন্থীয়ে একেখন জিলাৰ পৰা মহিলা আৰু শিশুসহ ৬ জন সাধাৰণ নাগৰিকক অপহৰণ কৰে। জিৰিবামকে ধৰি সংঘৰ্ষজৰ্জৰ অঞ্চলসমূহত এতিয়া সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন বলবৎ কৰিছে কেন্দ্ৰীয় চৰকাৰে। উল্লেখ্য যে, যোৱা বছৰৰ মে' মাহৰ পৰাই দুই প্ৰধান জনগোষ্ঠী কুকি আৰু মেইটেইৰ মাজত সূত্ৰপাত ঘটা হিংসাত্মক সংঘাতে উত্তপ্ত কৰি ৰাখিছে মণিপুৰক। এই হিংসা পৰিস্থিতিত ইতিমধ্যে দুশৰো অধিক লোকৰ মৃত্যু ঘটাৰ লগতে হাজাৰ হাজাৰ লোক গৃহহীন হ'বলগীয়া হৈছে। ইফালে মণিপুৰৰ এই হিংসাত্মক পৰিস্থিতি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কেন্দ্ৰৰ মোদী চৰকাৰ আৰু ৰাজ্যৰ বীৰেণ সিঙৰ চৰকাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱাৰ অভিযোগ কৰি আহিছে বিৰোধীয়ে। ইফালে, চুবুৰীয়া ৰাজ্য মেঘালয়ৰ বিদ্ৰোহী সংগঠন হাইনিউট্ৰেপ নেচনেল লিবাৰেচন কাউন্সিলক পুনৰ ৫ বছৰৰ বাবে নিষিদ্ধ ঘোষণা কৰিছে কেন্দ্ৰীয় গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# লাচিতৰ ইতিহাসক বিকৃত কৰা

নকৰিবলৈ শেষ সকীয়নি প্ৰদান কৰি প্ৰয়োজনত বিপৰীতে উপায়েৰে প্ৰতিক্ৰিয়া দিয়াৰ ব্যৱস্থা ল'বলৈ কুণ্ঠাবোধ নকৰো বুলি আলফা স্বাধীনে স্পষ্ট কৰিছে। সংযুক্ত মুক্তি বাহিনী স্বাধীনৰ সহঃপ্ৰচাৰ সম্পাদক ঈশান অসমে এক বিবৃতি যোগে মহাবীৰ লাচিত বৰফুকনৰ নামত বজৰং দলে অনুষ্ঠিত কৰিব খোজা ত্ৰিশূল দীক্ষা কাৰ্যসূচীক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে আলফা স্বাধীনে। আলফা স্বাধীনে কয় যে মহাবীৰ লাচিত বৰফুকন অসমৰ থলগিৰি জাতি-জনগোষ্ঠীৰ শৌৰ্য-বীৰ্য্য তথা সাহসৰ প্ৰতীক। থলগিৰি জাতি সত্বাৰ আৱেগৰ নাম। এইগৰাকী মহান জাতীয় বীৰে হেংদাঙেৰে যুঁজ দি দিল্লীৰ আক্ৰমণকাৰীসকলক পৰাস্ত কৰি স্বদেশৰ সাৰ্বভৌমত্ব আৰু স্বজাতিৰ মান অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছিল সেয়া সৰ্বজন বিদিত। সেয়েহে, মহাবীৰ লাচিত বৰফুকনৰ নাম মুখলৈ আহিলেই 'হেংদাং'ৰ নামো স্বতঃস্ফুত মুখলৈ অহাটো স্বভাৱিক। কিন্তু, মহাবীৰ লাচিত বৰফুকনৰ আগন্তুক জন্ম-জয়ন্তী আয়োজনৰ নামত ২৪ নৱেম্বৰত বজৰং দলে সংগতিবিহীনভাৱে ত্ৰিশূল দীক্ষাৰ অনুষ্ঠান আয়োজন কৰি অসমৰ থলগিৰি জনগণৰ বুৰঞ্জীক বিকৃত কৰিব বিচৰা হৈছে। এয়া থলগিৰি জাতি-জনগোষ্ঠীৰ বাবে অপমানৰ বিষয়। যিটো থলগিৰি জনগণই কোনো কাৰণতেই সহ্য কৰিব নোৱাৰে। কিয়নো অসমৰ থলগিৰি জনগণৰ বুৰঞ্জীৰ ঊৰ্দ্ধত কোনো ৰাজনৈতিক বা অৰাজনৈতিক দল-সংগঠন হ'ব নোৱাৰে। সেয়েহে, সংযুক্ত মুক্তি বাহিনী স্বাধীনৰ তৰফৰ পৰা সকলো দল-সংগঠনলৈ অন্তিম সকিয়নী প্ৰদান কৰা হৈছে যাতে কোনো দল-সংগঠনে অসমৰ বুৰঞ্জীক অৱমাননা আৰু বিকৃত নকৰে। আলফা স্বাধীনে পৰৱৰ্তী সময়ত বিবৃতিৰ পৰিৱৰ্তে অন্য উপায়েৰে তাৰ প্ৰতিক্ৰিয়া দিয়াৰ ব্যৱস্থা কৰিবলৈ কুণ্ঠাবোধ নকৰিব বুলি সকীয়নি প্ৰদান কৰে বিদ্ৰোহী সংগঠনটোৱে। আনহাতে, ১২ নৱেম্বৰৰ শিৱসাগৰ চহৰৰ দলৌমুখ চাৰিআলিত বোমাভৰ্তি মোনা উদ্ধাৰক লৈও আলফা স্বাধীনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। একাংশ সংবাদমাধ্যমত প্ৰকাশ বাতৰিত উদ্বেগ প্ৰকাশ কৰি আলফা স্বাধীনে বিবৃতিৰ জৰিয়তে কয় যে সংযুক্ত মুক্তি বাহিনী স্বাধীনৰ নামত কেতবোৰ আপত্তিজনক বাতৰি প্ৰকাশ কৰা আমাৰ দৃষ্টিগোচৰ হৈছে। আলফা স্বাধীনে স্পষ্ট কৰিব বিচাৰিছে যে বাতৰিটোত প্ৰকাশ কৰা অনুসৰি আলফা স্বাধীনৰ কোনো সদস্য বা সহযোগীয়ে শিৱসাগৰ চহৰত বোমা সংস্থাপন কৰা নাই। আনকি সংগঠনৰ কোনো সদস্যই চহৰত বাহৰ পতা নাই। আনহাতে গোলাঘাটত আটক কৰা ব্যক্তিদ্বয়ৰ সৈতে কোনো সম্পৰ্ক নাই। এয়া ঔপনিৱেশিক ৰাষ্ট্ৰযন্ত্ৰৰ অংগসমূহে এখন পুৰণি নাটক পুনৰ মঞ্চস্থ কৰি সাধাৰণ জনগণক আতংকিত কৰি ৰাখিব বিচাৰিছে। যাতে থলগিৰি জনগণৰ মন-মগজুত আলফা স্বাধীনৰ প্ৰতি হেয়ভাৱ উদয় হয়। থলগিৰি জনগণক বিনম্ৰ আহ্বান জনাই বিদ্ৰোহী সংগঠনটোৱে কয় যে একাংশ প্ৰচাৰ মাধ্যমৰ কেতবোৰ ভিত্তিহীন বাতৰি আৰু ঔপনিৱেশিক ৰাষ্ট্ৰৰ উচ্ছিষ্টভোগেৰে আত্মসন্তুষ্টি লাভ কৰি ভালপোৱা একাংশ প্ৰশাসনিক বিষয়াৰ ভুৱা তথ্যত থলগিৰি জনগণক পতিয়ন নাযাবলৈ আহ্বান জনাইছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# নেছেল হ'ল পেনেল! সভাপতি

প্ৰকাশ কৰিছে। ড০ ভীমকান্ত বৰুৱাৰ পাছতে অসম সাহিত্য সভাৰ সভাপতি পদত প্ৰাৰ্থত্ব নকৰাৰ কথা স্পষ্ট কৰিছে অনুৰাধা শৰ্মা পূজাৰী আৰু ড০ গোবিন্দ প্ৰসাদ শৰ্মাই। পেনেলত নাম থকা ৫গৰাকী লোকৰ ভিতৰত তিনিগৰাকী লোকে অসম সাহিত্য সভাৰ দৰে গৌৰবান্বিত জাতীয় অনুষ্ঠানৰ সভাপতি পদত প্ৰতিদ্বন্দ্বিতা নকৰাৰ সিদ্ধান্ত লৈছে। ইয়াৰ দ্বাৰা এটা কথাই প্ৰমাণ হয় যে অসম সাহিত্য সভাক বজাৰত পৰিণত কৰা একাংশ লোকৰ বাবে বদনামী হৈ পৰিছে। যাৰ বাবে তিনিগৰাকীকৈ লোকৰ নাম পেনেলত থকাৰ পিছতো তেওঁলোকে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰাৰ সিদ্ধান্ত লৈছে। আজি অসম সাহিত্য সভাক বিশেষ পৰামৰ্শ দিছে পেলনত নাম থকা অনুৰাধা শৰ্মা পূজাৰীয়ে। অসম সাহিত্য সভাৰ নিৰ্বাচনী ব্যৱস্থাক লৈ একপ্ৰকাৰ অসন্তুষ্টি ব্যক্ত কৰিছে অনুৰাধা শৰ্মা পূজাৰী। সাহিত্য সভালৈ এক পত্ৰ প্ৰেৰণ কৰি নিৰ্বাচনৰ আওতালৈ নানাকৈ চাৰি সাহিত্যিকৰ ভিতৰত এজন সাহিত্যিকক সভাপতি পাতিবলৈ পৰামৰ্শ দিছে পূজাৰীয়ে। সংবাদমাধ্যম আৰু অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক উপেন্দ্ৰজিৎ শৰ্মালৈ প্ৰেৰণ কৰা এক পত্ৰত অনুৰাধা শৰ্মা পূজাৰীয়ে সভাপতি পদত নাম অন্তৰ্ভুক্ত কৰাত অসম সাহিত্য সভাক ধন্যবাদ জ্ঞাপন কৰি সাহিত্য সভাৰ সভাপতি পদৰ পেনেলৰ পৰা নাম প্ৰত্যাহাৰ কৰিবলৈ অনুৰোধ জনায়। পেনেলত নাম থকা ৫গৰাকী সাহিত্যকলৈ সভাই সন্মতি পত্ৰ প্ৰেৰণ কৰিছিল যদিও প্ৰধান সম্পাদকলৈ প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিবলৈ ওলোটই এখন পত্ৰ দিয়ে অনুৰাধা শৰ্মা পূজাৰী। অনুৰাধা শৰ্মা পূজাৰীয়ে পত্ৰত কয় যে বিনম্ৰভাৱে জনাব খুজিছো যে ইতিমধ্যে সংবাদ মাধ্যমযোগে প্ৰকাশিত তালিকা অনুসৰি সভাপতি পদৰ বাবে প্ৰস্তাৱিত আন ৪জন প্ৰাৰ্থী আটাইকেইজনে অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰখনলৈ যথেষ্ট অৰিহণা যোগোৱা জ্যেষ্ঠ ব্যক্তি। গতিকে ওপৰোক্ত ৪জন ব্যক্তিৰ মাজৰ পৰা এজন ব্যক্তিক নিৰ্বাচনৰ আওতালৈ নানাকৈ সৰ্বসন্মতক্ৰমে মনোনীত কৰিলে আমি অত্যন্ত সুখী হ'ম। যিহেতু মই নিজেও সাহিত্য সভাৰ সভাপতি নিৰ্বাচনৰ প্ৰচলিত নিৰ্বাচনী প্ৰক্ৰিয়াটোলৈ যাব খোজা নাই, গতিকে, মই মোৰ নাম উক্ত তালিকাখনৰ পৰা প্ৰত্যাহাৰ কৰিবলৈ অনুৰোধ জনালো। পত্ৰখনত কেইবাটাও গুৰুত্বপূৰ্ণ কামত ব্যস্ত থকাৰ বাবে সাহিত্য সভাৰ দৰে এটা বৃহৎ জাতীয় অনুষ্ঠানৰ কাম-কাজত যথাযোগ্যভাৱে মনোনিবেশ কৰাত অসুবিধা হ'ব বুলিও কয় পূজাৰীয়ে। ইপিনে অনুৰাধা শৰ্মা পূজাৰীয়ে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ কেইটামান ঘণ্টাৰ পাছতে অসম সাহিত্য সভাৰ সভাপতি পদৰ প্ৰাৰ্থিত্বৰ পৰা নাম প্ৰত্যাহাৰ কৰে ড০ গোবিন্দ প্ৰসাদ শৰ্মাই। সভাপতি পদৰ পৰা নাম প্ৰত্যাহাৰ কৰি ড০ গোবিন্দ প্ৰসাদ শৰ্মাই সাহিত্য সভাৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। ড০ গোবিন্দ প্ৰসাদ শৰ্মাই ফেচবুক দিয়া এটা পোষ্টত তীব্ৰ বিষোদগাৰ কৰি কয় যে সাহিত্য সভাৰ সভাপতি হ'বলৈহে মই সন্মতি দিছিলো। নিৰ্বাচন খেলিবলৈ নহয়। নিৰ্বাচন খেলি মই সভাপতি হ'ব নিবিচাৰো। গতিকে, পেনেলতো মই সোমাব নোখোজো, মই মোৰ নাম উঠাই ল'লো। এনেদৰে কৈ অসম সাহিত্য সভাৰ সভাপতি পদৰ পৰা নাম প্ৰত্যাহাৰ কৰে ড০ গোবিন্দ প্ৰসাদ শৰ্মাই। পেনেলত ড০ বসন্ত কুমাৰ গোস্বামী আৰু ড০ উপেন ৰাভা হাকাচামৰহে নাম থাকিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ১০৮ কৰ্মচাৰী সন্থাৰ প্ৰতিবাদ

মৃত্যুঞ্জয় কৰ্মচাৰী সন্থাই। আজি গুৱাহাটীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰি দীৰ্ঘদিনে কৰি অহা দাবীসমূহ আকৌ এবাৰ পূৰণৰ দাবী জনায় সংস্থাটোৱে। কৰ্তব্যত ব্যৱহৃত পোছাক পিন্ধি চছলত প্ৰতিবাদ সাব্যস্ত কৰি দীৰ্ঘদিনীয়া দাবী পূৰণৰ দাবী জনায়। চৰকাৰী বিৰোধী শ্ল'গানেৰে চছলৰ ধৰ্মঘট ক্ষেত্ৰ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীসকলে দৰমহা বৃদ্ধি, স্থায়ী চাকৰিয়ালৰ হাৰত দৰমহা প্ৰদান আৰু অতিৰিক্ত শ্ৰমৰ বাবে অতিৰিক্ত মজুৰিৰ প্ৰদানৰ দাবীত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কেইবা দফীয়া স্মাৰকপত্ৰ প্ৰদান কৰে। মৃত্যুঞ্জয় সেৱাৰ এম্বুলেন্সসমূহত পৰ্যাপ্ত পৰিমাণৰ সা-সুবিধা আৰু সঁজুলি যোগান ধৰাৰ লগতে নিশাৰ সময়ত সুৰক্ষা ব্যৱস্থাক গুৰুত্ব দিবলৈ অসম চৰকাৰৰ স্বাস্থ্য বিভাগক দাবী জনাই প্ৰতিবাদকাৰীসকলে। বছৰৰ পাছত বছৰ ধৰি ১০৮ সেৱাৰ সৈতে জড়িত ইমটি, ইআৰঅ' আৰু পাইলটসকলৰ চাকৰি অসম চৰকাৰৰ অধীনলৈ আনিবলৈ নিয়মীয়া নকৰা পৰ্যন্ত প্ৰতিবাদ কৰি যোৱাৰ পণ লয়। শীঘ্ৰে দাবীসমূহ মানি নল'লে কৰ্মবিৰতি আৰু অনশন কৰাৰ হুংকাৰ দিয়ে সদৌ অসম ১০৮ মৃত্যুঞ্জয় কৰ্মচাৰী সন্থাই। উল্লেখ্য যে অসমত ১০৮ মৃত্যুঞ্জয় সেৱাই এইবাৰ ১৬ বছৰত ভৰি দিছে যদিও আজিকোপতি কৰ্মচাৰীসকলৰ সুবিধা-অসুবিধাৰ প্ৰতি কোনো গুৰুত্ব প্ৰদান কৰা নাই চৰকাৰে। এনে পৰিপ্ৰেক্ষিততে আজি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি চৰকাৰক সকীয়াই দিয়ে ১০৮ মৃত্যুঞ্জয় কৰ্মচাৰী সন্থাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গৌৰৱৰ বিৰুদ্ধে আকৌ সৰৱ পীযুষ

প্ৰচাৰ চলোৱাৰ অভিযোগত আটক কৰি নিশা পৰ্যন্ত বন্দী কৰি ৰখাত শাসকীয় বিজেপি আৰু কংগ্ৰেছৰ মাজত আক্ৰমণ-প্ৰত্যাক্ৰমণ অব্যাহত আছে। গৌৰৱ গগৈয়ে দিনৰ চাৰি বজাৰ পিছৰে পৰা নিশা পৰ্যন্ত জিনজিয়া আৰক্ষী থানাত বহি থকাত কেইবা শ লোকে আৰক্ষী থানা ঘেৰাও কৰি ৰখাত নিশাই উৎপল গগৈক মুকলি কৰি দিবলৈ বাধ্য হয়। বিজেপিৰ কেবাগৰাকী নেতাই কংগ্ৰেছৰ বিৰুদ্ধে নিৰ্বাচনী আচৰণ বিধি উলংঘা কৰাৰ অভিযোগ আনে। আনহাতে গৌৰৱ গগৈয়েও বিহালী সমষ্টিত ভোটগ্ৰহণৰ দিনটোত বিজেপি নেতাই ভোটগ্ৰহণ কেন্দ্ৰসমূহত তহল দিয়াৰ অভিযোগ আনে। তাৰ মাজেত বিজেপি নেতা তথী মন্ত্ৰী পীযুষ হাজৰিকাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। গুৱাহাটীত এখন সংবাদমেল পাতি গৌৰৱ গগৈক কেইবাটাও প্ৰশ্নৰ উত্তৰ বিচাৰে। বিহালীত ভোটগ্ৰহণৰ দিনটোত তিনিচুকীয়া, যোৰহাট, শিৱসাগৰৰ পৰা শতাধিক মানুহ বিহালীত বাহৰ পাতি আছিল বুলি দাবী কৰে মন্ত্ৰী হাজৰিকাই। চৰাইদেউ জিলা কংগ্ৰেছৰ সভাপতি উৎপল গগৈয়ে বিহালীত ভোটগ্ৰহণৰ দিনটোত তিনিটা ভোটকেন্দ্ৰত গৈ প্ৰচাৰ চলোৱালৰ লগতে দুলীয়াজানৰ ৰাভা উপাধিৰ কংগ্ৰেছৰ নেতাই পলিং কেন্দ্ৰৰ বাহিৰত কংগ্ৰেছ প্ৰাৰ্থীক ভোট দিব লাগে বুলি আহ্বান জনাই নিৰ্বাচনী আচৰণবিধি উলংঘা কৰা বুলি অভিযোগ আনিছে মন্ত্ৰী হাজৰিকাই।
মন্ত্ৰীগৰাকীয়ে সংবাদমেল যোগে কয় যে নিৰ্বাচনৰ কোড অব কনডাক্ট থাকে। কোড অব কনডাক্টসমূহ সাধাৰণতে সকলোৱে মানি চলে। 'ছাইলেণ্ট পিৰিয়ড'ত নিৰ্বাচনৰ ২৪ ঘণ্টা আগতে সেই সমষ্টিটোৰ বাহিৰৰ কোনো মানুহ সেই সমষ্টিটোত থাকিব নোৱাৰে। কালি আমি দেখিলো যে কংগ্ৰেছ দলৰ বাহিৰৰ নেতা-কৰ্মীসকলে বিহালীত বাহৰ পাতি আছিল। বাহিৰৰ সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ নেতা-কৰ্মীসকলে বিহালীত গৈ প্ৰচাৰ চলোৱা দেখিছো। স্পষ্ট যে তেওঁলোকে নিৰ্বাচনী আচৰণবিধি উলংঘা কৰিছে। কংগ্ৰেছক ভৱিষ্যতে এনেকুৱা কাম নকৰিবলৈ সকীয়াই দিয়ে হাজৰিকাই। গৌৰৱ গগৈক আক্ৰমণ কৰি হাজৰিকাই কয় যে সাধাৰণ কৰ্মীৰ কথাতো বাদেই দিলো, কংগ্ৰেছ দলৰ লোকসভাৰ ডেপুটী লিডাৰ গৌৰৱ গগৈক বিহালীৰ বুথে বুথে গৈ প্ৰচাৰ চলোৱা আমি দেখিবলৈ পালো। গৌৰৱ গগৈৰ দৰে এজন নেতাই 'ছাইলেণ্ট পিৰিয়ড'ত বিহালীতে বাহৰ পাতি থাকি বিহালীৰ বুথে বুথে গৈ প্ৰচাৰ চলোৱা কাৰ্য গৰিহণাৰ যোগ্য। মই বিহালীৰ পৰা ১১ নৱেম্বৰত বিহালীৰ পৰা ওলাই আহিছো। ছিদলী সমষ্টিৰ পৰা মন্ত্ৰী অশোক সিংহলে ১১ নৱেম্বৰত গুচি আহিছে। ধলাই সমষ্টিৰ পৰা মন্ত্ৰী জয়ন্ত মল্লবৰুৱা ওলাই আহিছে। গৌৰৱ গগৈয়ে কিয় বিহালীৰ বুথে বুথে গৈ প্ৰচাৰ চলাইছিল বুলি মন্ত্ৰীগৰাকীয়ে গৌৰৱ গগৈক প্ৰশ্ন কৰে। এয়া গণতন্ত্ৰৰ বাবে ভাল লক্ষণ নহয় বুলি গৌৰৱ গগৈৰ পৰা উত্তৰ বিচাৰে। সংবিধান ৰক্ষাৰ কথা কোৱা আৰু লোকসভালৈ প্ৰত্যক দিনাই সংবিধানৰ কপি লৈ যোৱা দলৰ নেতাই এই কাম কৰিলে সংবিধান বিৰোধী হয়নে নহয় বুলিও মন্ত্ৰীগৰাকীয়ে গৌৰৱ গগৈক প্ৰশ্ন কৰে। নিৰ্বাচন আয়োগক ইতিমধ্যে অৱগত কৰা বুলি মন্ত্ৰীগৰাকীয়ে কয় যে বিজেপিৰ তৰফৰ পৰাও বিষয়টো নিৰ্বাচন আয়োগক অৱগত কৰিব বুলি উল্লেখ কৰিছে।

- **পীযুষক কংগ্ৰেছৰ প্ৰত্যুত্তৰ**

সংবাদমেলৰ পিছতে মন্ত্ৰী পীযুষক ওভতি ধৰিছে কংগ্ৰেছে। এক বিবৃতিত কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই কয় যে ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত শাসকীয় দলে নিৰ্বাচন আয়োগক নিজৰ পক্ষত ব্যৱহাৰ কৰাৰ যি অপচেষ্টা চলালে সেয়া নজিৰবিহীন। চামগুৰি আৰু বিহালী সমষ্টিত কংগ্ৰেছ কৰ্মীৰ ওপৰত নিৰ্মম প্ৰহাৰ আৰু অকথ্য নিৰ্যাতন চলাৰ কথা সৰ্বজনবিদিত। তাৰপিছতো আজি জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই উপ-নিৰ্বাচনত কংগ্ৰেছ কৰ্মীয়ে আক্ৰমণ চলোৱা বুলি কৰা অভিযোগ হাস্যকৰ। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই আজি এক প্ৰেছ বিবৃতিত এইদৰে কয়। বৰাই কয়, চামগুৰি বিধানসভা সমষ্টিত ২৪ অক্টোবৰত বিজেপি কৰ্মীয়ে সাংবাদিকৰ ওপৰত আক্ৰমণ চলাইছিল। মন্ত্ৰী পীযুষ হাজৰিকাই সেই সময়ত প্ৰতিবাদস্থলীলৈ গৈ দুষ্কৃতিকাৰীক কঠোৰ শাস্তি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু নিজৰ দলৰ কৰ্মীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ সাহস নহ'ল মন্ত্ৰীজনৰ। উপ-নিৰ্বাচনত বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা কেবাজনো সাংবাদিক দুষ্কৃতিকাৰীৰ হাতত বাৰে বাৰে আক্ৰমণৰ সন্মুখীন হোৱাৰ পিছতো সংবাদকৰ্মীসকলক সুৰক্ষা প্ৰদানত ব্যৰ্থ হ'ল জনসংযোগ মন্ত্ৰীগৰাকী। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ওপৰত হোৱা এই আক্ৰমণ আৰু নিৰ্বাচনৰ সময়ত কংগ্ৰেছ বিধায়কসকলৰ ওপৰত হোৱা আক্ৰমণৰ ঘটনা সন্দৰ্ভত থানাত এজাহাৰ দিয়াৰ পিছতো কোনো ব্যৱস্থা চৰকাৰে নকৰিলে। এইখন চৰকাৰৰ পৰা কোনো গণতান্ত্ৰিক প্ৰমূল্যবোধ আশা কৰিব নোৱাৰি বুলি উল্লেখ কৰি বৰাই কয় যে চামগুৰি সমষ্টিত ব্যাপক ৰিগিং হোৱা বুলি নিৰ্বাচন আয়োগৰ ওচৰত কংগ্ৰেছে অভিযোগ দিবলগীয়া হৈছে। চামগুৰি সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইনে সমষ্টিটোৰ ১৯টা ভোট কেন্দ্ৰত ৰিগিং হোৱা বুলি অভিযোগ কৰি পুনৰ ভোটগ্ৰহণৰ দাবী জনাইছে। এই কথাই প্ৰমাণ কৰিছে যে উপ-নিৰ্বাচনত শাসকীয় দলৰ চৰকাৰে গুণ্ডাগিৰি আৰু ৰিগিংত লিপ্ত হৈছে। নিৰ্বাচন আয়োগৰ ওচৰত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ তৰফৰ পৰা কেবাবাৰো মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবী জনোৱা হৈছিল। কিন্তু প্ৰতিশ্ৰুতি দিয়াৰ পিছতো আয়োগে সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰিলে। ইফালে, সাংসদ গৌৰৱ গগৈ ডাঙৰীয়াই বিহালীত লুকাই-চোৰকৈ কোনো কাম কৰা নাই বুলি উল্লেখ কৰি বৰাই কয় যে গৌৰৱ গগৈ ডাঙৰীয়াই যি কৰিছে ৰাইজ আৰু কেমেৰাৰ সন্মুখত থাকি কৰিছে। গৌৰৱ গগৈয়ে বিজেপিৰ নেতা-কৰ্মীৰ দৰে ৰাতিৰ আন্ধাৰত কাম কৰা নাই বুলিও উল্লেখ কৰি ভৱিষ্যতে ৰাইজৰ সাংবিধানিক অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত সংশ্লিষ্ট সকলো পক্ষক অধিক সচেতন হ'বৰ বাবে বৰাই দাবী জনায়। লগতে, মন্ত্ৰী পীযুষ হাজৰিকাক সাংবিধানিক শপত লৈ সম-অধিকাৰৰ হকে কাম কৰিবলৈ আহ্বান জনাই কঠোৰ ভাষাৰে সমালোচনা কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৩৩টা কেন্দ্ৰত পুনৰ ভোট গ্ৰহণৰ দাবী

মুকলিভাৱে ৰেগিং কৰাৰ অভিযোগ উত্থাপন কৰি গৈছে কংগ্ৰেছ দলে। কালি বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই ৰেগিং সংঘটিত কৰাৰ গুৰুতৰ অভিযোগ উত্তাপন কৰাৰ পাছতে আজি চামগুৰি সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী তথা ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ পুত্ৰ তাঞ্জিল হুছেইন এক পত্ৰযোগে এই অভিযোগ উত্থাপন কৰিছে। তাঞ্জিল হুছেইনে ৩৩টা কেন্দ্ৰৰ নাম উল্লেখ কৰি এই ৩৩টা সমষ্টিত ৰেগিং সংঘটিত হোৱাৰ অভিযোগ আনে।  আজি তাঞ্জিল হুছেইনে চামগুৰি সমষ্টিৰ ৰিটাৰ্ণিং বিষয়াক পত্ৰ প্ৰদান কৰি ৩৩টা কেন্দ্ৰত ভোটগ্ৰহণৰ দাবী উত্থাপন কৰিছে। কংগ্ৰেছৰ এজেণ্টৰ ভাষ্যৰ ভিত্তিত এজেণ্টৰ নামসহ ৰেগিং কৰাৰ অভিযোগ উত্থাপন কৰিছে কংগ্ৰেছ প্ৰাৰ্থীগৰাকীয়ে। পত্ৰখনত বঢ়মপুৰৰ বিধায়ক জিতু গোস্বামী, নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাৰ নাম স্পষ্টকৈ উল্লেখ কৰিছে হুছেইনে। বিজেপিৰ নেতা-কৰ্মীয়ে ভোটকেন্দ্ৰত ব্যাপক ৰেগিং কৰাৰ লগতে ভোটাৰক ঘৰৰ পৰা ওলাই আহিব দিয়া বুলি অভিযোগ আনে। নিৰ্বাচনী আচৰণ বিধি উলংঘা কৰাৰ দাবী উত্থাপন কৰি ৰেগিং সংঘটিত হোৱা ৩৩ কেন্দ্ৰত পুনৰ ভোটগ্ৰহণৰ দাবী উত্তাপন কৰিছে। ৩৩টা ভোট কেন্দ্ৰত পুনৰ ভোট গ্ৰহণ বিচাৰি নিৰ্বাচনী বিষয়াক আবেদন জনাইছে চামগুৰিৰ কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইনে। সমষ্টিটোৰ ৬নং ভগামুখ মোক্তাব স্কুল, ৫নং ভগামুখ মোক্তাব স্কুল, ৬নং পশ্চিম শালপাৰা মোক্তাব স্কুল, ৪০নং পুঠিখাইতি প্ৰাথমিক বিদ্যালয় কেন্দ্ৰ, ৪১ নং পুঠিখাইতি পশ্চিম খণ্ড, ৮৮নং কুশল কোঁৱৰ বালিকা প্ৰাথমিক বিদ্যালয় কেন্দ্ৰ, ৮৯নং শ'লমাৰী মোক্তাব স্কুল কেন্দ্ৰ, ৯০ নম্বৰ শ'লমাৰী পশ্চিম মোক্তাব স্কুল, ১৮১নং লাইলুৰি মোক্তাব স্কুল কেন্দ্ৰ, ১৮২ আৰু ১১৬নং লাইলুৰি মোক্তাব স্কুল পশ্চিম কেন্দ্ৰসহ ৩৩টা ভোট কেন্দ্ৰত ৰিগিং হোৱাৰ অভিযোগ আনিছে প্ৰাৰ্থী তাঞ্জিলে। উক্ত অভিযোগক লৈ আয়োগে কি ব্যৱস্থা লয় সেয়া লক্ষণীয় হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দিল্লীৰ নতুন মেয়ৰ হ'ল মহেশ

সংকীৰ্ণ ব্যৱধানত বিজেপিৰ প্ৰাৰ্থীক পৰাস্ত কৰি দিল্লীৰ ইতিহাসৰ প্ৰথমজন দলিত মেয়ৰ হিচাপে নিৰ্বাচিত হয় মহেশ খিনচি। উল্লেখ্য যে, নিৰ্বাচনক কেন্দ্ৰ কৰি আৰম্ভণিৰে পৰা অব্যাহত থকা তীব্ৰ উত্তেজনা, বিভ্ৰান্তি আৰু বিতৰ্কৰ অন্তত অনুষ্ঠিত ভোটদানৰ সময়ত আজি ৱাকআউট কৰে কংগ্ৰেছৰ সদস্যসকলে। নিৰ্বাচনত মেয়ৰ হিচাপে বিজয় লাভ কৰা মহেশ খিনচিয়ে ১৩৩টা ভোট লাভ কৰাৰ বিপৰীতে বিজেপিৰ প্ৰাৰ্থী কিষাণ পালে লাভ কৰে ১৩০টা ভোট। মন কৰিবলগীয়া যে, বিজেপিৰ মুঠ সদস্যৰ সংখ্যা ১২০ জন হ'লেও ভোটদানৰ সময়ত গেৰুৱা শিবিৰে অতিৰিক্ত ১০টা ভোট লাভ কৰি আম আদমী পাৰ্টীৰ প্ৰাৰ্থীগৰাকীক তীব্ৰ প্ৰত্যাহ্বান জনায়। এই নিৰ্বাচনত আপৰ কেইবাজনো সদস্যই ক্ৰছ ভোটিং কৰি বিজেপি প্ৰাৰ্থীক সমৰ্থন জনোৱা বুলি দাবী কৰিছে গেৰুৱা শিবিৰে। 'আম আদমী পাৰ্টিৰ ৮জন কাউন্সিলাৰে বিজেপিৰ সপক্ষে ভোট দিছে আৰু ২টা ভোট বাতিল হৈছে। এয়া গণতন্ত্ৰৰ জয় আৰু অৰবিন্দ কেজৰিৱালৰ পৰাজয়। তেওঁ এতিয়া আপৰ আপৰ আহ্বায়ক পদত অধিষ্ঠিত হোৱাৰ নৈতিক অধিকাৰ হেৰুৱাই পেলাইছে।'' লক্ষণীয় যে, মেয়ৰ হিচাপে নিৰ্বাচিত হোৱা মহেশ খিনচিৰ কাৰ্যকাল হ'ব কেৱল পাঁচ মাহ। দিল্লীৰ মেয়ৰ কাৰ্যকাল সম্পূৰ্ণ এবছৰৰ দাবী জনাই আজি ভোটগ্ৰহণৰ পৰা বিৰত থাকে ক্ষুব্ধ কংগ্ৰেছ। ইফালে উত্তেজিত পৰিস্থিতিৰ মাজতে কংগ্ৰেছৰ সদস্য মহম্মদ খুছনুদ আৰু মুস্তাফাবাদ ৱাৰ্ডৰ কাউন্সিলাৰ পত্নী পত্নী ছাবিলা বেগমে কংগ্ৰেছৰ সদস্যপদৰ পৰা পদত্যাগ কৰি নিৰ্বাচনত আম আদমী পাৰ্টিৰ প্ৰাৰ্থীক সমৰ্থন জনায়। ভোটদানৰ সময়ত ৭জন কংগ্ৰেছৰ সদস্যই ৱাক আউট কৰে যদিও ছাবিলা বেগম উপস্থিত হৈ ভোটদান কৰে। পদত্যাগ পত্ৰত তেওঁ উল্লেখ কৰে যে দলৰ এই সিদ্ধান্তই বিজেপিকহে লাভৱান কৰিব। প্ৰণিধানযোগ্য যে, প্ৰতি বছৰে এপ্ৰিল মাহত মেয়ৰ নিৰ্বাচন অনুষ্ঠিত হয় যদিও এইবাৰ বিজেপি আৰু আপৰ মাজত উত্তেজনাৰ বাবে নিৰ্বাচন বাৰে বাৰে পিছুৱাই দিয়া হয়। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক গ্ৰেপ্তাৰৰ পৰিপ্ৰেক্ষিতত এই নিৰ্বাচন অনুষ্ঠিত কৰাত প্ৰাৰম্ভিক পলম হৈছিল। ছেপ্টেম্বৰ মাহত নিৰ্বাচনৰ সময়ত আপৰ নিৰ্বাচন বৰ্জনৰ বাবে পুনৰ নিৰ্বাচন পিছুৱাই দিয়া হৈছিল আৰু কংগ্ৰেছেও নিৰ্বাচনত অংশগ্ৰহণৰ পৰা বিৰত আছিল। একেসময়তে লেফটেনেণ্ট গৱৰ্ণৰৰ দ্বাৰা প্ৰিজাইডিং অফিচাৰ নিযুক্তি দিয়াকে ধৰি পদ্ধতিগত জটিলতাৰ বাবেও পলম হয় এই নিৰ্বাচনত। কিন্তু অৱশেষত আজি পাঁচ মাহৰ কাৰ্যকালৰ বাবে হ'লেও দিল্লীৰ মেয়ৰ হিচাপে নিৰ্বাচিত হয় প্ৰথমজন দলিত মেয়ৰ মহেশ খিনচি।

প্ৰথম পৃষ্ঠাৰ পৰা...

# জনজাতিকৰণক লৈ উত্তাল ধেমাজি

সময়তে জনজাতিকৰণক লৈ উজনি অসমৰ ভিন্ন প্ৰান্তত গা কৰি উঠিছে প্ৰতিবাদে। বিগত চাৰিদিনত উজনি অসমৰ জিলাসমূহত তীব্ৰ প্ৰতিবাদ কৰি গৈছে ছয় জনগোষ্ঠীৰ সংগঠনসমূহে। কেন্দ্ৰীয় জনজাতি মন্ত্ৰী জুৱেল ওৰামৰ বিতৰ্কিত মন্তব্যকলৈ তীব্ৰ প্ৰতিবাদ কৰি গৈছে ছয় জনগোষ্ঠীয়ে। ইয়াৰ মাজতে আজি উত্তৰ পাৰৰ ধেমাজিৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথত আটাছুৱে কেন্দ্ৰীয় মন্ত্ৰী জুৱেল ওৰাম আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিকৃতি দাহ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। আটাছুৰ শতাধিক কৰ্মীয়ে চৰকাৰী বিৰোধী শ্ল'গান দি ধেমাজি সদৰত ১৫নং ৰাষ্ট্ৰীয় ঘাইপথ কঁপাই তোলে। কেন্দ্ৰীয় চৰকাৰ হায়ঃ হায়ঃ, অসম চৰকাৰ হায়ঃ হায়ঃ, কেন্দ্ৰীয় মন্ত্ৰী জুৱেল ওৰাম মুৰ্দাবাদ, আমাক এছটি লাগিবই, ছয় জনগোষ্ঠী জাগিছে, আমাক শোষণ কৰা বন্ধ কৰক আদি শ্ল'গান দিয়া পৰিলক্ষিত হয়। সদৌ অসম তাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি মনোজ গগৈ, ধেমাজি জিলাৰ সম্পাদক পংকজ বৰগোহাঁই উপস্থিতিত সাব্যস্ত কৰা প্ৰতিবাদৰ ফলত দীৰ্ঘসময় ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ হৈ পৰে। নেতাদ্বয়ে কয় যে চৰকাৰে জনজাতিকৰণ কৰাৰ নামত ছয় জনগোষ্ঠীক ৰামঠগন দিছে। কেন্দ্ৰীয় জনজাতি দপ্তৰৰ মন্ত্ৰী জুৱেল ওৰামে অদ্ভুত মন্তব্য দিছে। প্ৰতিখন চৰকাৰে আহোম জনগোষ্ঠীক প্ৰতাৰণা কৰিছে। এইবাৰ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰক শেষ সকীয়নি প্ৰদান কৰিছো। কেন্দ্ৰীয় মন্ত্ৰী জুৱেল ওৰামে কৰা মন্তব্যৰ প্ৰত্যুত্তৰ ২০২৬ৰ নিৰ্বাচনত দিয়া হ'ব। বিজেপি চৰকাৰখনক উচিত উত্তৰ দিবই লাগিব। আটাছুৱে ককাঁলত টঙালি বান্ধিছে। আহোম জনগোষ্ঠীটোক কৰি অহা প্ৰতাৰণাৰ ফল দিবলৈ সাজু হৈছে জনগোষ্ঠীৰ লোকসকল। উল্লেখ্য যে চৰকাৰৰ প্ৰতাৰণাৰ বিৰুদ্ধে ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত বন্ধ ঘোষণা কৰিছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ঋণৰ পিছত ঋণ লৈ দেউলীয়া হিমন্তৰ

পুঁজিও মুকলি কৰি দিব পৰাকৈ সামৰ্থ্য হেৰুৱাইছে। এই অভিযোগ বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াৰ। আজি সাংবাদিকৰে হোৱা বাৰ্তালাপত শইকীয়াই কয় যে অসম চৰকাৰে বিধায়কৰ সমষ্টি উন্নয়নৰ পুঁজি নৱেম্বৰ মাহলৈকে এটকাও মুকলি কৰি দিয়া নাই। সাধাৰণতে জুলাই মাহৰ ভিতৰত সকলো পুঁজি মুকলি কৰি দিব লাগে আৰু অক্টোবৰ নৱেম্বৰ মাহৰ পৰা আঁচনি ৰূপায়ণৰ কাম সমষ্টিবিলাকত আৰম্ভ কৰিব পাৰি। তেতিয়া ৩১ মাৰ্চলৈকে মাজত মাথো চাৰিটা মাহহে আছে আৰু এনে সময়ত সমষ্টি উন্নয়নৰ পুঁজি মুকলি কৰি নিদিয়া মানেই ৰাজ্যখনৰ চুকে-কোণে উন্নয়নৰ কামবিলাক বন্ধ হৈ পৰা। শইকীয়াই কয়, চৰকাৰে জবকাৰ্ডৰ কামো বন্ধ কৰি দিছে। ৰাজ্য চৰকাৰক কেন্দ্ৰীয় চৰকাৰে দিবলগীয়া পুঁজি সময়মতে মুকলি কৰি দিবৰ বাবে চৰকাৰে জধে-মধে ঋ ণ লৈ জোৰা-টাপলি মাৰিবলগীয়া হোৱা বাবেই এই বিত্তীয় বিশৃংখলতা হৈছে। উল্লেখ্য যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শাসনভাৰ লোৱাৰ পিছত ৰাজ্য চৰকাৰৰ ঋণৰ পৰিমাণ প্ৰায় ডেৰলাখ কোটি টকালৈ বৃদ্ধি পাইছে। অসমৰ মুঠ ঘৰুৱা উৎপাদন অৰ্থাৎ জিডিপিতকৈ ঋণৰ হাৰ অধিক বৃদ্ধি পাইছে। ২০২২-২৩ বিত্তীয় বৰ্ষত ১ লাখ ২৫ হাজাৰ ৯৮৮.৬৭ কোটি টকা ঋণ লোৱা বুলি কেগৰ প্ৰতিবেদনত প্ৰকাশ হৈছিল যদিও বৰ্তমান এই ঋণ ডেৰলাখ কোটিলৈ বৃদ্ধি পাইছে। এই ঋণৰ বাবদ চৰকাৰে প্ৰায় ২৩ হাজাৰ কোটি টকাৰ সুত দিবলগীয়া হৈছে। যাৰবাবে চৰকাৰৰ ৰাজহ ঘাটিৰ পৰিমাণ বৃদ্ধি পাইছে। ২০২২-২৩ বিত্তীয় বৰ্ষত এইখন চৰকাৰৰ ৰাজহ ঘাটি হৈছে ১২ হাজাৰ ৭২.৩৫ কোটি টকা। কেগৰ প্ৰতিবেদনত এই কথা প্ৰকাশ হৈছিল যে ২০২১-২২ বিত্তীয় বৰ্ষত বকেয়া ঋ ণৰ পৰিমাণ ২৩.৩২ শতাংশলৈ বৃদ্ধি পাইছে। সেই হিচাপত চৰকাৰখন যে দেউলীয়া সেয়া প্ৰমাণ হৈছে আৰু বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াই আজি সাংবাদিকৰ আগত দিয়া তথ্যমতে বিধায়ক পুঁজিৰ সামান্য ধনখিনি চৰকাৰে এতিয়ালৈকে মুকলি কৰি দিব পৰা নাই। উন্নয়নৰ নামত কেৱল ফ্লাইঅভাৰ নিৰ্মাণ কৰা মুখ্যমন্ত্ৰীয়ে ঋণৰ বাবদ দিবলগীয়া সুতৰ হাৰ প্ৰায় ১৪ শতাংশলৈ বৃদ্ধি কৰিছে। চৰকাৰে ৰাজহ বৃদ্ধিৰ উৎসসমূহ প্ৰসাৰ কৰাৰ পৰিৱৰ্তে কেৱল মাত্ৰ সুৰা বিক্ৰী কৰি আৰু বাহন আৰু যন্ত্ৰ সামগ্ৰীৰ ওপৰত ২৮ শতাংশ পৰ্যন্ত জিএছটি আৰোপ কৰি কৰ সংগ্ৰহৰ ব্যৱস্থা কৰিছে। এনেদৰে এতিয়া ঋণৰ পিছত ঋণ লৈ দেউলীয়া হৈ পৰা এই চৰকাৰখনক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেনেধৰণৰ দক্ষতাৰে উদ্ধাৰ কৰে সেই কথা লক্ষণীয় হ'ব।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰঙিয়াত স্কুললৈ শিক্ষা বিভাগৰ জাননী

চৰকাৰৰ শিক্ষা বিভাগ। চৰকাৰে শৈক্ষিক দিনপঞ্জী বহিৰ্ভূত কামৰ বোজা দিয়াত পাঠদানত বিৰূপ প্ৰভাৱ পেলোৱাৰ অভিযোগ আনি শিক্ষকসকলে হোৱাটছএপ গ্ৰুপৰ পৰা আতৰি হোৱাৰ সিদ্ধান্ত লৈছিল। ১৭ অক্টোবৰত শিক্ষক সমাজে ঘোষণা কৰি শিক্ষা বিষয়াৰ অফিচিয়েল হোৱাটছএপ গ্ৰুপৰ পৰা আতৰি অহাৰ সময়তে প্ৰথমবাৰ শিক্ষসকলৰ বিৰুদ্ধে কঠোৰ হোৱা পৰিলক্ষিত হৈছে শিক্ষা বিভাগ। ১৩ নৱেম্বৰত ৰঙিয়াৰ ৩১ খন বিদ্যালয়ৰ শিক্ষাৰ্থী শিক্ষাসেতু প'ৰ্টেলত উপস্থিতি নাছিল। ৰঙিয়া শিক্ষা খণ্ডৰ ৰোষত পৰিছে ৭ খন চৰকাৰী তথা ২৬ খন বেচৰকাৰী বিদ্যালয়। যাৰ বাবে জৰুৰীভাৱে কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰা হৈছে। ৰঙিয়া শিক্ষাখণ্ডৰ অন্তৰ্গত ৩১ খন বিদ্যালয়ৰ প্ৰধান শিক্ষকক খণ্ড প্ৰাথমিক শিক্ষা বিষয়াই কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰিছে। শিক্ষা সেতু পৰ্টেলক লৈ চৰকাৰী শিক্ষাখণ্ডত শিক্ষকসকল পূৰ্বৰ পৰা নাৰাজ। তেনে সময়তে শিক্ষা বিভাগে ৰঙিয়াত ৩১ খনকৈ বিদ্যালয়লৈ শিক্ষা সেতু পৰ্টেলত অনুপস্থিতিত কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰাত চাঞ্চল্যৰ সৃষ্টি হৈছে। ৰঙিয়া খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ড০ আনিচুৰ ৰহমানে শুকুৰবাৰে শিক্ষা সেতু পৰ্টেলত অনুপস্থিত থকা বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ অনুপস্থিতি নাছিল কিয় প্ৰশ্ন কৰি কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰিছে। ৩১ খন বিদ্যালয়ৰ প্ৰধান শিক্ষকলৈ জাননী জাৰি কৰাৰ লগতে আপাৰ আই.ডি সন্দৰ্ভতো পৃথকে কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে খণ্ড প্ৰাথমিক শিক্ষা বিষয়াই।

# চুমি, তাৰ্কিক, বিশালসহ ৮জনৰ জামিনৰ শুনানি স্থগিত

**ই-সংবাদ, ১৪ নৱেম্বৰঃ** গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত বন্দী ট্ৰেডিং কেলেংকাৰীৰ ৬ অভিযুক্ত তথা মহাপ্ৰৱঞ্চক চুমি বৰা, স্বামী তাৰ্কিক বৰা, পাতি লোৱা ভাতৃ বিশাল ফুকনসহ ৮ ট্ৰেডিং কেলেংকাৰীৰ অভিযুক্তই মুকলি আকাশৰ তললৈ ওলাই অহাৰ অহাটো ইমান উজু নহ'ব। কিয়নো গুৱাহাটী উচ্চ ন্যায়ালয়ে আজি জামিন আবেদনৰ শুনানিৰ বাবে দিন নিৰ্ধাৰণ কৰিছিল যদিও শুনানি স্থগিত ৰাখিছে। চুমি, তাৰ্কিকসহ ৮ অভিযুক্তৰ জামিন স্থগিত ৰাখিছে গুৱাহাটী উচ্চ ন্যায়ালয়ে। ন্যায়ালয়ে পৰৱৰ্তী দিন ধাৰ্য কৰা নাই যদিও সোমবাৰে জামিন আবেদনৰ শুনানি গ্ৰহণৰ সম্ভাৱনা আছে। উল্লেখ্য যে, গুৱাহাটী উচ্চ ন্যায়ালয়ত আজি চুমি বৰাৰ আৰু স্বামী তাৰ্কিক বৰাৰ জামিনক লৈ শুনানিৰ দিন ধাৰ্য্য কৰা হৈছিল। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চপা চুমি বৰা আৰু স্বামী তাৰ্কিক বৰাৰ অধিবক্তাই জামিন আবেদন কৰাত জামিনক লৈ শুনানিৰ দিন ধাৰ্য্য কৰা হৈছিল হযিও শুনানি স্থগিত ৰাখে গুৱাহাটী উচ্চ ন্যায়ালয়ে। উচ্চ ন্যায়ালয়ে আজি গোচৰৰ ডায়েৰী দাখিল কৰিবলৈ চিবিআইক নিৰ্দেশ দিছিল আৰু জামিনৰ শুনানিৰ দিন ধাৰ্য কৰিছিল। ১৩ নৱেম্বৰত চিবিআইৰ আদালতত হাজিৰ কৰোৱা হৈছিল চুমি বৰা, স্বামী তাৰ্কিক বৰা আৰু পাতি লোৱা ভাতৃ বিশাল ফুকনক। ইতিমধ্যে চুমি বৰাৰ দেওৰ তথা তাৰ্কিকৰ ভাতৃ অম্লান বৰা আৰু আন এজন ট্ৰেডিং কেলেংকাৰীৰ নায়ক ৰঞ্জিত কাকতিয়ে জামিন লাভ কৰিছে। অম্লান বৰা, ৰঞ্জিত কাকতিৰ দৰেই চুমি, তাৰ্কিক আৰু বিশালেও জামিন লাভ কৰিব পাৰে। কিয়নো চুমি বৰা, স্বামী তাৰ্কিক বৰা, বিশাল ফুকনৰ সৈতে একেই গোচৰত অম্লান বৰা, ৰঞ্জিত কাকতিক গ্ৰেপ্তাৰ কৰিছিল আৰক্ষীয়ে। আইনী সুৰুঙাৰে মুকলি আকাশৰ তললৈ আহিছে ইজনৰ পিছত সিজন প্ৰৱঞ্চক। ট্ৰেডিং কেলেংকাৰীত ৮ অভিযুক্তক ২৫ অক্টোবৰত ডিব্ৰুগড় আৰক্ষীয়ে এখন ট্ৰেভেলাৰেৰে গুৱাহাটীলৈ আনিছিল।

# শিৱসাগৰত সন্দেহজনক যুৱকক গ্ৰেপ্তাৰ, উদ্ধাৰ অপহৃত শিশু

**ই-সংবাদ, শিৱসাগৰ, ১৪ নৱেম্বৰঃ** আজি শিশু দিৱসৰ দিনটোতে উজনিৰ শিৱসাগৰত অপহৃত শিশু উদ্ধাৰৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। শিশু দিৱসৰ দিনটোত সন্দেহজনক শিশু চুৰি চক্ৰৰ কৱজাৰ পৰা মুক্ত হৈ ১২ বছৰীয়া শিশুটিয়ে উভতি আহিবলৈ সক্ষম হয়। শিৱসাগৰৰ ঢুলীয়াপাৰ মৌপিয়া গাঁৱৰ ১২ বছৰীয়া শিশুটো ৰংঘৰ চাৰিআলিত উদ্ধাৰ হোৱাৰ লগতে সন্দেহজনক অপহৰণকাৰী ৰিংকু আহমেদক গ্ৰেপ্তাৰ কৰিবলগীয়া হয়। জানিব পৰা মতে, শিৱসাগৰৰ ঢুলীয়াপাৰ মৌপিয়াগাঁৱৰ পৰা কৌশলেৰে অপহৰণ কৰা হৈছিল শিশুটিক। তাৰ পাছতে পৰিয়ালত হাহাকাৰ লাগে। স্থানীয় ৰাইজৰ সহযোগত বিচাৰি-খোচাৰ কৰাৰ লগতে আৰক্ষীক অৱগত কৰা হয়। তাৰ পাতে স্থানীয় ৰাইজে অপহৰণ কাণ্ডৰ মুখ্য অভিযুক্ত ৰিংকু আহমেদক ধৰিবলৈ সক্ষম হয়। ৰাইজে উত্তম মাধ্যম দি ৰিংকু আহমেদক জয়সাগৰ আৰক্ষীক গতাই দিয়ে। কিন্তু তাৰ পূৰ্বেই কৌশলেৰে অপহৰণকাৰীৰ কৱজাৰ পৰা মুক্ত হৈ ৰংঘৰ চাৰিআলিত উপস্থিত হয় শিশুটি। বাছত উঠি সোঁশৰীৰে ঘৰত উপস্থিত হোৱাত স্বস্তিৰ নিশ্বাস পেলাই পৰিয়ালে। ১৪ নৱেম্বৰৰ শিশুটিয়ে নিজ পদূলিমুখত থকাৰ সময়তে ফুচুলাই প্ৰথমে দোকানলৈ নিছিল ৰিংকুৱে। একাংশ লোকে শিশুটি আৰু ৰিংকুক প্ৰত্যক্ষ কৰিছিল। তাৰ পিছতে গাড়ীত মৰিয়ণিলৈ নিয়ে। মৰিয়ণিত এটা চক্ৰৰ হাতত গতাই দিছিল শিশুটিক। শিশু চুৰি চক্ৰটোক শিশুটি গতাই পুনৰ শিৱসাগৰলৈ আহিছিল ৰিংকু। কিন্তু চক্ৰটোৰ পৰা মুক্ত হৈ শিৱসাগৰলৈ বুলি লিখা বাছত উঠে শিশুটোৱে। তাৰ পিছত ৰংঘৰ চাৰিআলিত নমাৰ পিছতে স্থানীয় লোকে প্ৰত্যক্ষ কৰি ঘৰলৈ নিয়ে। ইপিনে অপহৰণ কাণ্ড সংঘটিত কৰা ৰিংকুক ৰাতি প্ৰায় ৮ বজাত দিখৌ দলঙৰ সমীপত প্ৰত্যক্ষ কৰি স্থানীয় ৰাইজে বন্দী কৰি আৰক্ষীক চমজাই দিয়ে। শিশুটি নিৰুদ্দেশ হোৱাৰ পিছতে ফটো চ'ছিয়েল মিডিয়াত দিছিল অভিভাৱকে। অপহৰণৰ সৈতে জড়িত যুৱকজনৰ ঘৰ মঙলদৈত যদিও শিৱসাগৰ দিখৌ দলঙৰ সমীপৰ এটা ভাড়াঘৰত বাস কৰি আছিল বুলি জানিব পৰা গৈছে।

# ট্ৰেডিঙৰ নামত কোটি কোটি লুটি অন্তৰ্ধান ৰহস্যময়ী আল্পনা দাস

**ই-সংবাদ, ১৪ নৱেম্বৰঃ** গ্লেমাৰৰ পাছত দৌৰা বহু লোক ট্ৰেডিং কেলেংকাৰীত জড়িত হৈ আছে! চুমি বৰা, বিশাল ফুকন, তাৰ্কিক বৰাৰ দৰে সামাজিক মাধ্যমৰ গ্লেমাৰে ট্ৰেডিং কেলেংকাৰীৰ ধন উদৰস্থ কৰি বিলাসী জীৱন উপভোগ কৰিছিল। এই কথা পুনৰ এবাৰ প্ৰমাণ হৈছে। সামাজিক মাধ্যমত নিজক জহাই গ্লেমাৰ সৰ্বোচ্ছ জীৱনটোক জাহিৰ কৰা আন এগৰাকী গ্লেমাৰৰ নাম এইবাৰ ট্ৰেডিং কেলেংকাৰীত সোমাই পৰিছে। এইবাৰ গুৱাহাটীত বহু মানুহক প্ৰৱঞ্চনা কৰা আল্পনা দাস নামৰ যুৱতীৰ নাম ট্ৰেডিং কেলেংকাৰীত সাঙোৰ খাইছে। সামাজিক মাধ্যমত নিজৰ গ্লেমাৰ জাহিৰ কৰা আল্পনা দাস এতিয়া অন্তৰ্ধান। এডি ষ্টক ব্ৰকিং নামৰ ট্ৰেডিং কোম্পানী খুলি মানুহৰ পৰা লক্ষ লক্ষ টকা সংগ্ৰহ কৰা আল্পনা দাস অন্তৰ্ধান হৈ থকাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। অভিযোগ মতে, গুৱাহাটীৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা ৩ মাহৰ ভিতৰত টকা দুগুণ কৰাৰ প্ৰতিশ্ৰুতি দি লক্ষ লক্ষ টকা সংগ্ৰহ কৰিছিল আল্পনা দাসে। এডি ষ্টকৰ নামত টকা সংগ্ৰহ কৰি দীৰ্ঘদিন ধৰি গুৱাহাটীৰ পৰা অন্তৰ্ধান হৈ আছে প্ৰৱঞ্চক আল্পনা। জানিব পৰা মতে, আল্পনাই হেঙেৰাবাৰীত এডি ষ্টক ব্ৰকিং ফিনান্সিয়েল চাৰ্ভিচৰ নামত এটা কাৰ্যালয় খুলিছিল। সেই কাৰ্যালটোত নিজেই তেওঁ মেনেজাৰ আছিল। চুমি বৰাৰ দৰেই আল্পনাই বিলাসী বাহন, বিলাসী ফ্লেটত জীৱন কটাইছিল। বিলাসীতাৰ নামত খৰছ কৰিছিল লক্ষ লক্ষ টকা। হেঙেৰাবাৰী এডি ষ্টক ব্ৰকিং ফিনান্সিয়েল চাৰ্ভিচ নামৰ কাৰ্যালয়ৰ পৰা অবৈধ ট্ৰেডিংৰ ব্যৱসায় চলোৱা আল্পনাই সকলো বিনিয়োগকাৰীক মাহিলী ১৩ শতাংশ সুদ দিয়াৰ প্ৰতিশ্ৰুতি দি ধন সংগ্ৰহ কৰা বুলি জানিব পৰা গৈছে। প্ৰথমাৱস্থাত সময়মতে বিনিয়োগকাৰীক সুতে-মূলে টকাই উভতাই দি বিশ্বাস জন্মাই পিছলৈ ধন সংগ্ৰহক অভিযান হিচাপে লৈ বহু লোকক দেউলীয়া কৰিছে বুলি অভিযোগ উঠিছে। জুলাই মাহৰ পৰা বিনিয়োগকাৰীৰ পৰা বিনিয়োগৰ ধনৰ পৰিমাণ বঢ়াই উভতাই দিয়া নাছিল। শেষত কাৰ্যালয়ত তলা লগাই পলায়ন কৰে আল্পনাই। অসমৰ লগতে অইনৰ ৰাজ্যৰ পৰাও ধন সংগ্ৰহ কৰা বুলি সন্দেহ কৰা হৈছে। দিছপুৰ আৰক্ষী থানাত বহু ভুক্তভোগীয়ে এজাহাৰ দাখিলৰ পিছতহে এই কথা পোহৰলৈ আহিছে। এজাহাৰ দাখিলৰ পিছতে আৰক্ষীয়ে সমস্ত ঘটনাক লৈ তদন্ত আৰম্ভ কৰা বুলি জানিব পৰা গৈছে। কিন্তু এই পৰ্যন্ত আল্পনাক গ্ৰেপ্তাৰ কৰিব পৰা নাই আৰক্ষীয়ে।

## মধ্যপ্ৰদেশত দলিত গাঁও জ্বলাই দিলে দুৰ্বৃত্তই

**ভূপাল, ১৪ নৱেম্বৰঃ** বিধানসভা উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পন্ন হোৱাৰ ঠিক পিছতে হিংসাৰ জুইত জ্বলি ছাই হ'ল এখন দলিত গাঁও। মধ্যপ্ৰদেশৰ বিজয়পুৰত সংঘটিত এই হিংসাত্মক ঘটনাই সমগ্ৰ ৰাজ্যখনতে উত্তেজনা বৃদ্ধি কৰিছে। উল্লেখ্য যে, বুধবাৰে বিজয়পুৰ বিধানসভা আসনৰ বাবে উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পন্ন হয়। অভিযোগ অনুসৰি, নিৰ্বাচনৰ অন্ত পৰাৰ পিছতে সমষ্টিটোৰ এখন দলিত গাঁৱত সংঘটিত হয় আক্ৰমণৰ ঘটনা। ইয়াৰ পিছতে এদল লোকে জ্বলাই দিয়ে গাঁওখন। জানিব পৰা মতে বিজয়পুৰৰ গহটা গাঁৱত এই আক্ৰমণ সংঘটিত হয়। আৰক্ষীৰ সূত্ৰৰ পৰা জানিব পৰা মতে, নিশাৰ ভাগত এদল লোকে গাঁওখনত প্ৰৱেশ কৰি ঘৰ ভাঙি লণ্ডভণ্ড কৰে আৰু কেইবাটাও বাসগৃহত অগ্নিসংযোগ কৰে। দুৰ্বৃত্তৰ দলটোৱে গাঁওখনৰ বাসিন্দাসকলো আক্ৰমণ কৰাত ত্ৰস্তমান হৈ অধিকাংশ গাঁওবাসীয়ে নিশাই ঘৰ এৰি পলায়ন কৰিবলগীয়া হয়। এই পৰিস্থিতিত বহু লোকে স্থানীয় আৰক্ষী থানাতো আশ্ৰয় লয়। ইফালে এই হিংসাত্মক কাণ্ড সন্দৰ্ভত গাঁওবাসীয়ে আৰক্ষীক অৱগত কৰাৰ পিছতো পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন হৈছে। বিজয়পুৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পাপ্পু সিং যাদৱে কয় যে আৰক্ষীয়ে ঘটনাৰ বিষয়ে জানিব পৰাৰ পিছতে গাঁওখনত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

## শিক্ষাৰ্থীৰ প্ৰতিবাদৰ সন্মুখত সেও মানিবলৈ বাধ্য যোগী চৰকাৰ

**লক্ষ্ণৌ, ১৪ নৱেম্বৰঃ** প্ৰাদেশিক অসামৰিক সেৱাৰ (পিচিএছ) পৰীক্ষাক লৈ শিক্ষাৰ্থীৰ প্ৰচণ্ড বিক্ষোভৰ পিছতে পিছ হোঁহোকিবলৈ বাধ্য হৈ পৰিল উত্তৰ প্ৰদেশ চৰকাৰ। চাকৰিৰ আকাংক্ষীসকলৰ দাবী অনুসৰি এতিয়া এটা শ্বিফটত অনুষ্ঠিত হ'ব এই পৰীক্ষা। উত্তৰ প্ৰদেশ লোকসেৱা আয়োগে বৃহস্পতিবাৰে এই কথা অৱগত কৰে। উল্লেখ্য যে, উত্তৰ প্ৰদেশত ডিচেম্বৰ মাহত অনুষ্ঠিত হ'ব পিচিএছৰ প্ৰাৰম্ভিক পৰীক্ষা। এই পৰীক্ষাৰ বাবে একেৰাহে দুটা তাৰিখ ঘোষণা কৰি প্ৰতিদিনে দুটা শ্বিফটত পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লৈছিল লোকসেৱা আয়োগে। কিন্তু আয়োগৰ এই সিদ্ধান্তৰ পিছতে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে পৰীক্ষাৰ্থীসকলে। দুটা শ্বিফ্টত পৰীক্ষা অনুষ্ঠিত কৰাৰ বিৰুদ্ধে বিগত চাৰিদিন ধৰি প্ৰয়াগৰাজৰ পি এচ চিৰ কাৰ্যালয়ৰ বাহিৰত পৰীক্ষাৰ্থীসকলে প্ৰতিবাদ সাব্যস্ত কৰে। এটা শ্বিফ্টত পৰীক্ষা অনুষ্ঠিত কৰাৰ শিক্ষাৰ্থীসকলৰ দাবী অৱশেষত মানি লৈ বৃহস্পতিবাৰে পি এছ চিৰ কাৰ্যালয়ে এই পৰীক্ষা এটা শ্বিফটত অনুষ্ঠিত হ'ব বুলি অৱগত কৰে। মন কৰিবলগীয়া যে, যোৱা সপ্তাহত লোকসেৱা আয়োগে ঘোষণা কৰিছিল পিচিএছ পৰীক্ষাৰ তাৰিখ। সেই অনুসৰি অহা ৭ আৰু ৮ ডিচেম্বৰত অনুষ্ঠিত হ'ব এই পৰীক্ষা। আয়োগে প্ৰতিদিনে দুটা শ্বিফটত পৰীক্ষা অনুষ্ঠিত কৰাৰ বিষয়েও সদৰী কৰিছিল। ইয়াৰ উপৰিও ৰাজহ বিষয়া আৰু সহকাৰী ৰাজহ বিষয়া পদৰ প্ৰাৰম্ভিক পৰীক্ষা অহা ২২-২৩ ডিচেম্বৰত অনুষ্ঠিত হোৱাৰ কথা আছিল। প্ৰতিদিনে তিনিটা শ্বিফটত পৰীক্ষা অনুষ্ঠিত হ'ব লাগিছিল। আয়োগৰ সচিব অশোক কুমাৰে বৃহস্পতিবাৰে বিয়লি প্ৰয়াগৰাজৰ পি এছ চিৰ কাৰ্যালয়ৰ বাহিৰত প্ৰতিবাদকাৰী চাকৰি প্ৰত্যাশীসকলক সাক্ষাৎ কৰে। চাকৰি প্ৰত্যাশীসকলৰ দাবীৰ বিষয়ে মুখ্যমন্ত্ৰী যোগী আদিত্যনাথক অৱগত কৰা হৈছে বুলিও তেওঁ কয়। ইয়াৰ পিছত এটা শ্বিফটত পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয়। ইয়াৰ পূৰ্বে মেডিকেল এণ্ট্ৰেন্স টেষ্ট (নীট) আৰু ইউজিচি-নেট পৰীক্ষাক কেন্দ্ৰ কৰি কেইবাটাও অভিযোগ উত্থাপন হৈছিল। সেই ক্ষেত্ৰত পৰীক্ষা অনুষ্ঠিত কৰা সংস্থাৰ ভূমিকাক লৈও প্ৰশ্ন উত্থাপন হৈছিল। লোকসেৱা আয়োগৰ সচিবগৰাকীয়ে কয় যে পূৰ্বৰ ঘটনাৰ বাবে পৰীক্ষাত স্বচ্ছতা বজাই ৰাখিবলৈ বিভিন্ন শ্বিফটত পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে। অৱশ্যে লোকসেৱা আয়োগৰ পৰীক্ষা এতিয়া এটা শ্বিফটত অনুষ্ঠিত হ'ব বুলি বৃহস্পতিবাৰে সচিবগৰাকীয়ে সদৰী কৰিলেও ৰাজহ বিষয়া আৰু সহকাৰী ৰাজহ বিষয়া পদৰ পৰীক্ষা সন্দৰ্ভত মত প্ৰকাশৰ পৰা তেওঁ বিৰত থাকে।

# শিৱসাগৰৰ আইইডি উদ্ধাৰৰ ঘটনাৰে জড়িত থকাৰ সন্দেহত আৰু দুজনক আটক

**ই-সংবাদ, শিৱসাগৰ, ১৪ নৱেম্বৰঃ** শিৱসাগৰ চহৰৰ মাজমজিয়াৰ দলৌমুখ চাৰিআলিৰ সমীপৰ এখন ব্যৱসায়িক প্ৰতিষ্ঠানৰ সন্মুখত সংস্থাপিত কৰা শক্তিশালী আইইডিটোৰ সম্পৰ্কত সংবাদ মাধ্যমত ধাৰাবাহিক বাতৰি প্ৰকাশ পোৱাৰ লগতে ঘটনাৰে লগত জড়িত দুজনকৈ যুৱকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ সময়তেই আজি ঘটনাৰ সম্পৰ্কত মুখ খুলিছে সংযুক্ত মুক্তি বাহিনী অসম (স্বাধীন) এ। আজি সংগঠনটোৰ লেঃ ঈশান অসম, সহঃপ্ৰচাৰ সম্পাদক স্বাক্ষৰিত প্ৰেছ বিবৃতিটোত এই ঘটনাক পোনচাটেই অস্বীকাৰ কৰিছে। প্ৰেৰিত বৃৰ্বিতিটোত পোনছাটেই এইয়া উপনিবেশিক শাসক চক্ৰৰ পৰিকল্পিত ষড়যন্ত্ৰ বুলি অভিহিত কৰাৰ লগতে এনে তথ্যত ভুল নাযাবলৈ থলগিৰি জনগণৰ প্ৰতি আহব্বান জনাই। ইফালে বিগত ৬ অক্টোবৰৰ ভয়ংকৰ অপহৰণ ষড়যন্ত্ৰ বিফল, ইজনৰ পিছত সিজনক গ্ৰেপ্তাৰ, ধন দাবীৰে সমগ্ৰ জিলাখন উত্তাল হৈ থকাৰ সময়তেই পৰহি অৰ্থাত মঙলবাৰৰ সন্ধিয়া শক্তিশালী আই ই ডি উদ্ধাৰৰ পিছতেই শিৱসাগৰ চহৰৰ লগতে পাৰ্শ্ৱৱতী অঞ্চল সমূহকো এক আতংকময় পৰিৱেশে আৱৰি ধৰিছিল। ইতিমধ্যে এটা বাইকৰ নতুন বেটাৰীত সংস্থাপন কৰা শক্তিশালী আইইডিটো সেই নিশাই দেৰগাঁৱৰ পৰা অহা বোমা বিশেষজ্ঞৰ দলে জেঙনিকটীয়া আৰক্ষী চাউনীৰ খেল পথাৰত সুৰক্ষিত ভাৱে নিষ্ক্ৰিয় কৰে। প্ৰাৰম্ভিক পৰ্যায়ত অতি শক্তিশালী আইইডি হিচাপে পৰিচিত বোমাটো সেইদিনা সন্ধিয়াৰ ভাগত বিস্ফোৰিত হোৱা হ'লে সদা ব্যস্ত উক্ত অঞ্চলটোত ব্যাপক ক্ষয় ক্ষতি হ'লহেতেন। ইফালে ১৫ আগষ্টৰ ধাৰাবাহিক বোমা সংস্থাপনৰ চাঞ্চল্য মাৰ নৌ যাওতেই পুণৰ ঐতিহ্যমণ্ডিত চহৰ খনৰ মাজমজিয়াত বোমা সংস্থাপনৰ খবৰে বাণিজ্যিক ক্ষেত্ৰখনতো ব্যাপক প্ৰভাৱ পেলোৱাৰ লগতে সন্ধিয়াৰ ভাগত জনসাধাৰণৰ চলাচল বহু পৰিমাণে হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। ইফালে, শিৱসাগৰত আই ই ডি সংস্থাপনৰ লগত আলফা স্বাধীন কোনোপধ্যেই জড়িত নহয় বুলি প্ৰেছ বাৰ্তা প্ৰেৰণৰ সময়তেই শিৱসাগৰ আৰক্ষীয়ে এই ঘটনাৰ লগত জড়িত দুজন ব্যক্তিক আনুষ্ঠানিকভাৱে গ্ৰেপ্তাৰ কৰিছে। বোমা সংস্থাপন সন্দৰ্ভত সদৰ আৰক্ষী থানাই নিজাববীয়াকৈ ৰূজু কৰা ১৪৯/ ২০২৪ নম্বৰৰ গোচৰটোত বেতবাৰীৰ মৃদুল চাংমাই আৰু মৰাণৰ তৰ্জুচৰণ বাইলঙক গ্ৰেপ্তাৰ কৰিছে। ঘটনাৰ নিশাৰে পৰা বিভিন্ন উৎসৰ আঁত ধৰি আটক কৰিবলৈ সক্ষম হোৱা বেতবাৰীৰ মৃদুল চাংমাই আৰু মৰাণৰ তৰ্জুচৰণ বাইলুঙক আজি বিয়লি আদালতত হাজিৰ কৰাই পাঁচ দিনৰ আৰক্ষীৰ জিম্মাত বিচাৰি আৱেদন জনায়। অৱশ্যে আদালতে তিনি দিনৰ বাবেহে দুয়োকে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। অৱশ্যে কালি দিনৰ ভাগত আটক কৰা আন এগৰাকী যুৱকক আৰক্ষীয়ে কৌশলগত কাৰণত মুকলি কৰি দিয়াৰ বাতৰি পোৱা গৈছে। এক সূত্ৰই জানিবলৈ দিয়া মতে ধৃত দুই যুৱক গোলাঘাটত অট' ৰিক্সাত উদ্ধাৰ হোৱা আই ই ডি আৰু শিৱসাগৰ দলমুখ ছাৰিআলিত সংস্থাপিত কৰা আই ই ডি ৰ লগত জড়িত। ইতিমধ্যে গোলাঘাটত বোমাৰ সৈতে ধৰা পৰা দুই আনলা সদস্যই শিৱসাগৰৰ দুই যুৱকক ফটো চায়েই চিনাক্ত কৰিছে বুলি সূত্ৰটোৱে জানিবলৈ দিছে। সমাগত ২৮ নৱেম্বৰৰ আলফাৰ প্ৰতিবাদ দিৱসৰ প্ৰাকঃমুহূৰ্তত পুনৰ শিৱসাগৰক বিদ্ৰোহী সংগঠনে শক্তি প্ৰদৰ্শনৰ অভিকেন্দ্ৰৰূপে গঢ়ি তুলাৰ আশংকাত সাধাৰণ ৰাইজৰ ভয় আৰু আতংকই বিৰাজ কৰিছে।

# পূৰ্ণচন্দ্ৰ গায়নলৈ কলং কলা কেন্দ্ৰৰ বিশেষ শ্ৰদ্ধাঞ্জলি

**ই-সংবাদ, পুৰণিগুদাম, ১৪ নৱেম্বৰঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ সমাজ জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত সুবিশাল ব্যক্তিত্বৰ অধিকাৰী পূৰ্ণচন্দ্ৰ গায়নৰ যোৱা ৯ নৱেম্বৰত হোৱা পৰলোকপ্ৰাপ্তিৰ শোকত ম্ৰিয়মান পুৰণিগুদামবাসীয়ে আজি কলং কলা কেন্দ্ৰ প্ৰাংগণত সমবেত হৈ তেওঁলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পুৰণিগুদাম লাইআটী সত্ৰৰ সত্ৰাধিকাৰ যুগল চন্দ্ৰ দেৱ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত শোক সভাত প্ৰয়াত গায়নৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী শুভাৰম্ভ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰফুল্ল কলিতাই আৰু তেওঁক সহযোগিতা আগবঢ়ায় কলং কলা কেন্দ্ৰৰ উপ-সভাপতি অশ্বিনী শৰ্মাই। সভাত বক্তব্য ৰাখি পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ উপ-সভাপতি দ্বিজেন্দ্ৰ মোহন শইকীয়াই কয় যে, বাহিৰৰ পৰা দেখাত কঠোৰ যেন লগা মানুহজন আছিল অতিকে মৰমিয়াল আৰু দয়ালু। সমাজ জীৱনৰ বিভিন্ন দিশত তেওঁৰ দৃঢ় পদক্ষেপে কেনেকৈ পুৰণিগুদামৰ শৈক্ষিক-সামাজিক দিশত যোগাত্মক বাতাবৰণ সৃষ্টি কৰিছিল সেয়া একাধিক উদাহৰণৰ জৰিয়তে শইকীয়াই ব্যাখ্যা কৰে। লোকগীতৰ শিল্পী, নিৰন্ধকাৰ গোলাপ বৰাই ভাষণ প্ৰদান কৰি কয় যে কিছুমান এনে সুকীয়া ব্যক্তিত্বৰ লোক আমাৰ মাজত থাকে যি তেওঁৰ ব্যক্তিত্বৰে সমাজখন পোহৰ কৰি ৰাখে। পূৰ্ণচন্দ্ৰ গায়নৰ সমাজ চেতনা তথা শিক্ষা-সাংস্কৃতিক চেতনাই পুৰণিগুদামক পোহৰ কৰা বুলি তেওঁ মন্তব্য আগবঢ়ায়। অৱসৰপ্ৰাপ্ত শিক্ষক বিমল গোঁহায়ে হাইস্কুল শিক্ষক সন্থাৰ সভাপতি হিচাপে প্ৰয়াত গায়নক কেনেদৰে পাইছিল তাৰ ব্যাখ্যা দাঙি ধৰি কয় যে খঙাল যেন লগা মানুহজন আনক সহায় কৰিবৰ বাবে সদায় উন্মুখ হৈ আছিল। পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ সম্পাদক তিলক কুমাৰ গায়নে কয় যে এসময়ত তেওঁক অঞ্চলৰ ছাত্ৰ-ছাত্ৰী তথা ডেকা-ডেকেৰীয়ে অতিকে সমীহ কৰি চলিছিল কাৰণ তেওঁ আছিল অতিকে নিয়মানুৱৰ্তী আৰু কাঢ়া শাসনেৰে সমাজ পোনাব জনা লোক। গড়মূৰ শাখা সত্ৰৰ মাটি বেদখল মুক্ত কৰা তথা সত্ৰখনিৰ শ্ৰীবৃদ্ধিত পূৰ্ণচন্দ্ৰ গায়নৰ বৰঙণিৰ কথাও তেওঁ স্মৰণ কৰে। ভাষণ প্ৰসংগত প্ৰফুল্ল কলিতাই কয় যে পূৰ্ণচন্দ্ৰ গায়ন আছিল লোককথা তথা লোকবুৰঞ্জীৰ এক বিশাল ভাণ্ডাৰ। বিভিন্ন গাঁৱৰ নাম কেনেকৈ হ'ল বা তাৰ পুৰণি পৰিয়ালসমূহৰ বিষয়ে পূৰ্ণচন্দ্ৰ গায়নে অনায়াসে কৈ দিব পাৰিছিল। কলং কলা কেন্দ্ৰৰ সম্পাদক চিত্তৰঞ্জন বৰাই পূৰ্ণ চন্দ্ৰ গায়নৰ জীৱনৰ একেবাৰে শেষ সময়ছোৱাত তেওঁৰ সৈতে কটোৱা তিনিদিনৰ মূল্যৱান স্মৃতি ৰোমন্থন কৰি কয় যে তেওঁৰ পৰা পুৰণি সমাজৰ বিভিন্ন কথা টুকি থাকিবৰ পৰতে হঠাৎ তেওঁ আঁতৰি গ'ল যিটো পুৰণিগুদাম অঞ্চলটোৰ বাবে এক বৃহৎ ক্ষতি।

## ২০২৬ৰ বিধানসভা নিৰ্বাচনলৈ নিজকে সাজু কৰাত ব্যস্ত অখিল

# লখিমপুৰত ৰাইজৰ দলৰ বিশাল যোগদান কাৰ্যসূচী

**ই-সংবাদ, উত্তৰ লখিমপুৰ, ১৪ নৱেম্বৰঃ** আজি লখিমপুৰ জিলাৰ নাওবৈচা বিধানসভা সমষ্টিৰ অন্তৰ্গত সোণাপুৰ চাৰিআলি খেলপথাৰত ৰাইজৰ দলৰ এখনি বিশাল ৰাজহুৱা যোগদান কাৰ্যসূচী আৰু গণ সমাৰেশ অনুষ্ঠিত হৈ যায়। উক্ত কাৰ্যসূচীত নাওবৈচা বিধানসভা সমষ্টিৰ পাঁচ শতাধিক কংগ্ৰেছ, অগপ, এআইইউডিএফ, বিজেপি কৰ্মীয়ে ৰাইজৰ দলত আনুষ্ঠানিকভাৱে যোগদান কৰে। কেইবা সহস্ৰাধিক লোকৰ সমাগমেৰে সোণাপুৰ চাৰিআলি খেলপথাৰত অনুষ্ঠিত বিশাল যোগদান কাৰ্যসূচীত উপস্থিত থাকে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ লগতে ৰাইজৰ দলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক আজিজুৰ ৰহমান, কেন্দ্ৰীয় উপ-সভাপতি হৰিকান্ত দাস, ৰাইজৰ দলৰ জাতীয় যুৱ বাহিনীৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক নিৰ্মল পায়েং আৰু ৰাইজৰ দলৰ জিলা সমিতিৰ বিভিন্ন বিষয়ববীয়া, সমষ্টি সমিতিৰ বিষয়ববীয়া, জাতীয় যুৱ বাহিনীৰ লখিমপুৰ জিলা সমিতিৰ বিষয়ববীয়া, জাতীয় যুৱ বাহিনীৰ সমষ্টি সমিতিৰ বিষয়ববীয়া আৰু সদস্যসকল। উক্ত সমাৰেশৰ পৰাই ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে নাওবৈচা সমষ্টিৰ জৰাজীৰ্ণ বাট-পথৰ উদাহৰণ দি নাওবৈচা সমষ্টিৰ কংগ্ৰেছ বিধায়ক ভৰত নৰহ, লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱাৰ লগতে বিজেপি নেতৃত্বাধীন চৰকাৰখনক তীব্ৰ সমালোচনা কৰে। লগতে অখিল গগৈয়ে কয় যে আগন্তুক দিনসমূহত যদি নাওবৈচা সমষ্টিৰ জৰাজীৰ্ণ বাট-পথ ঠিক নকৰে তেন্তে বিজেপি চৰকাৰৰ লগতে ভৰত নৰহকো ব্ৰহ্মপুত্ৰত দলিয়াই দিয়া হ'ব। ইয়াৰ উপৰি উক্ত সভাতেই ৰাইজৰ দলৰ কেন্দ্ৰীয় উপ-সভাপতি হৰিকান্ত দাসে যোৱা ২১ৰ বিধানসভা নিৰ্বাচনত একাংশ নাওবৈচা সমষ্টিৰ ৰাইজে মাত্ৰ কেইটামান ভোটৰ ব্যৱধানত পৰাজয়বৰণ কৰা ৰাইজৰ দলৰ প্ৰাৰ্থী আজিজুৰ ৰহমানক ভোট নিদি যি ভুল কাম কৰিলে তেনে ভুল আকৌ নকৰিবলৈ আহ্বান জনায়। আনহাতে, ৰাইজৰ দলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক আজিজুৰ ৰহমানে নাওবৈচা সমষ্টিৰ জৰাজীৰ্ণ বাট-পথ দেখি ৰাইজৰ দলৰ সভাপতি অখিল গগৈ হতবাক হোৱাৰ কথা বৰ্ণনা কৰি নাওবৈচা বিধানসভা সমষ্টিৰ বিধায়ক ভৰত নৰহ আৰু বিজেপি নেতৃত্বাধীন চৰকাৰক সমালোচনা কৰে। একেখন সভাতেই ৰাইজৰ দলৰ জাতীয় যুৱ বাহিনীৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক নিৰ্মল পায়েঙে আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত আৰু আগন্তুক পঞ্চায়ত নিৰ্বাচনত ৰাইজৰ দলৰ প্ৰাৰ্থীক জয়ী কৰাবলৈ ৰাইজক আহ্বান জনায়।



লখিমপুৰ জিলাৰ নাওবৈচা সমষ্টিৰ সোণাপুৰত ৰাইজৰ দলৰ বিশাল গণ সমাৰেশ

# ডুমডুমা নগৰত হিমসনা কবিতাৰ এসন্ধ্যা আৰু বাৰ্তালাপ

**ই-সংবাদ, ডুমডুমা, ১৪ নৱেম্বৰঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতি আৰু সদৌ মৰাণ ছাত্ৰ সন্থাৰ ডুমডুমা আঞ্চলিক সমিতিৰ উদ্যোগত চাহ নগৰী ডুমডুমা নগৰৰ মাজমজিয়াৰ পূৰ্বৰ গান্ধীমূৰ্তিৰ সমীপ (পুৰণি এ টি ৰোড)ত কালি সন্ধিয়া পাঁচ বজাত হিমসনা কবিতাৰ এসন্ধ্যা আৰু বাৰ্তালাপ "দীঘলীপতি(কৰিদ'ৰ)"- শীৰ্ষক এক ব্যতিক্ৰমধৰ্মী কবিতা আৰু বাৰ্তালাপৰ এক বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানটি উদ্বোধন কৰে সদৌ মৰাণ ছাত্ৰ সন্থাৰ কাৰ্যালয় সম্পাদক পদ্মজিত মৰাণে। অনুষ্ঠানত আমন্ত্ৰিত বক্তা হিচাপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱা, স্থানীয় ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কমলেশ্বৰ কলিতা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক সুৰজিত মৰাণ আৰু অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য দেবেন ডেকাই। অনুষ্ঠানত নবীন-প্ৰবীণ একুৰি অধিক কবিয়ে স্বৰচিত কবিতা পাঠ আৰু আবৃত্তি কৰি উপস্থিত সকলোকে আপ্লুত কৰি তোলে। সদৌ মৰাণ ছাত্ৰ সন্থাৰ ডুমডুমা আৰু যুৱ-ছাত্ৰ পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতিৰ এনে অনন্য প্ৰচেষ্টাক সকলোৰে শলাগ লোৱা পৰিলক্ষিত হয়। সুন্দৰভাৱে সামৰণি পৰা অনুষ্ঠানটিয়ে সাহিত্যানুৰাগী ব্যক্তিসকলৰ বিশেষ সমাদৰ বুটলিবলৈ সক্ষম হয়।

# ছিপাঝাৰত চৰকাৰী সুবিধাৰ পৰা বঞ্চিত বহু দিব্যাংগ লোক

**ই-সংবাদ, ছিপাঝাৰ, ১৪ নৱেম্বৰঃ** দিব্যাংগসকলৰ বাবে ৰাজ্য চৰকাৰে সমাজ কল্যাণ আৰু খণ্ড উন্নয়ন বিভাগৰ জৰিয়তে নানা ধৰণৰ সা-সুবিধা প্ৰদান কৰি অহাৰ মাজতে একাংশ দৰিদ্ৰ পৰিয়ালৰ দিব্যাংগক চৰকাৰী সুবিধাই আজিকোপতি চুব পৰা নাই। উল্লেখ্য যে, পূৰ্বে সমাজ কল্যাণ বিভাগৰ জৰিয়তে দিব্যাংগসকলক মাহে এহাজাৰ টকাকৈ পেঞ্চন দিছিল। কিন্তু পৰৱৰ্তী সময়ত এই পেঞ্চন 'অৰুণোদয়' আঁচনিৰ আওঁতালৈ আনি বাৰ শ পঞ্চাশ টকাকৈ দি আছে। ইয়াৰ মাজতে পূৰ্বে একাংশ দিব্যাংগই লাভ কৰি থকা পেঞ্চনটো বন্ধ হ'ল। অথচ নতুনকৈ অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত নহ'ল। যাৰবাবে কাৰ্যতঃ চৰকাৰে প্ৰদান কৰি অহা সুবিধাৰ পৰা বঞ্চিত হৈ পৰিল এইসকল দৰিদ্ৰ দিব্যাংগ লোক। বিশেষকৈ দৰং জিলাৰ ছিপাঝাৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত ছিপাঝাৰ, লোক্ৰাই, চেঙেলীয়াঝাৰ, ব্যাসপাৰা আদি পঞ্চায়তৰ অন্তৰ্গত একাংশ দিব্যাংগ এই সুবিধাৰ পৰা বঞ্চিত হৈ আছে। উল্লেখনীয় যে, বিগত ২০২৪ বৰ্ষত অৰুণোদয় আঁচনিৰ দ্বিতীয় পৰ্যায়ত বঞ্চিত হৈ থকা দিব্যাংগ আৰু দৰিদ্ৰ মহিলাসকলক অন্তৰ্ভুক্তিৰ বাবে সমাজ কল্যাণ বিভাগে অংগনৱাড়ী কৰ্মীৰ জৰিয়তে এক জৰীপ চলোৱাৰ সমান্তৰালভাৱে বিভাগীয় নিৰ্দেশ অনুসৰি দলিলত চহী কৰাই নিছিল। কিন্তু ৰহস্যজনকভাৱে বহুতো দিব্যাংগ আৰু প্ৰকৃত হিতাধিকাৰী আঁচনিখনৰ পৰা বঞ্চিত হৈ ৰ'ল। ইপিনে, আঁচনি অনুসৰি প্ৰত্যেকগৰাকী দিব্যাংগই এটিকৈ প্ৰধানমন্ত্ৰী আবাস গৃহ পাব লাগে। কিন্তু পৰিতাপৰ বিষয়, অধিক সংখ্যক দিব্যাংগক আবাস গৃহ যোজনাখনে চুকি নাপালে। প্ৰণিধানযোগ্য যে, চৰকাৰী আঁচনিৰ পৰা বঞ্চিত দিব্যাংগসকল বা তেওঁলোকৰ পৰিয়াল, কল্যাণমূলক আঁচনিসমূহৰ বিষয়ে একো নাজানে।




ৰামদিয়া ৰাস মহোৎসৱৰ স্মৃতিগ্ৰন্থ 'ৰাসৰেখা' উন্মোচন, ফটোঃ ই-সংবাদ, হাজো

## ৭ ডিচেম্বৰত নিৰ্বাচন, ২৮ টা ভোটকেন্দ্ৰ, ৩০৮৪০ ভোটাৰ

# হাজোৰ ঐতিহাসিক পোৱামক্কা দৰ্গাহৰ নিৰ্বাচন ঘোষণা

**ই-সংবাদ, হাজো, ১৪ নৱেম্বৰঃ** তীৰ্থনগৰী হাজোৰ ঐতিহাসিক পোৱামক্কা দৰ্গাহৰ খাদিমকে ধৰি পৰিচালনা সমিতিৰ কাৰ্যকালৰ অন্ত পৰাৰ পিছতে নিৰ্বাচনী অধিসূচনা জাৰি কৰাৰ লগতে কামৰূপ জিলা প্ৰশাসনে কৰিছে নিৰ্বাচনৰ দিন ঘোষণা। কামৰূপ জিলা ন্যায়াধীশৰ নং DJK/Esstt/7334-36 তাৰিখ চলিত বৰ্ষৰ ২০ জুলাইৰ হুকুম মতে আজি কামৰূপ জিলা প্ৰশাসনে নিৰ্বাচনী অধিসূচনা জাৰি কৰে। কামৰূপ জিলাৰ অতিৰিক্ত আয়ুক্ত কমল বৰুৱাই আজি দিনৰ প্ৰায় দুই বজাত হাজো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়স্থিত গাওঁবুঢ়া ভৱনত এক সংবাদমেল যোগে ঘোষণা কৰা অনুসৰি চলিত বৰ্ষৰ অহা ৭ ডিচেম্বৰত ঐতিহাসিক পোৱামক্কা দৰ্গাহৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। পোৱামক্কা দৰ্গাহ পৰিচালনা সমিতিৰ খাদিম আৰু দহ গৰাকীকৈ সদস্যৰ বাবে অনুষ্ঠিতব্য নিৰ্বাচনৰ মনোনয়ন পত্ৰ গ্ৰহণৰ তাৰিখ অহা ১৮ নৱেম্বৰৰ পৰা ২৫ নৱেম্বৰ ধাৰ্য কৰিছে। মনোনয়ন পত্ৰ ২৬ নৱেম্বৰত পৰীক্ষা কৰা হ'ব। অহা ২৭ নৱেম্বৰৰ ভিতৰত মনোনয়ন পত্ৰ উঠাই ল'ব পাৰিব আৰু চূড়ান্ত বৈধ প্ৰাৰ্থীৰ তালিকা ২৮ নৱেম্বৰত ঘোষণা হ'ব। নিৰ্বাচন অহা ৭ ডিচেম্বৰত পুৱা ৭ বজাৰ পৰা আবেলি ৪ বজালৈ অনুষ্ঠিত হ'ব আৰু অহা ৯ ডিচেম্বৰৰ পুৱা ৮ বজাৰ পৰা ভোট গণনা অনুষ্ঠিত হ'ব। এই নিৰ্বাচনত মুঠ ২৮ টা ভোট গ্ৰহণ কেন্দ্ৰৰ বিপৰীতে ৩০৮৪০ গৰাকী ভোটাৰে ভোট দান কৰিব। ঐতিহাসিক পোৱামক্কা দৰ্গাহৰ পাঁচ মাইলৰ ভিতৰৰ গাঁওসমূহৰ পুৰুষ ভোটাৰসকলে ৪ গৰাকী সদস্যক নিৰ্বাচিত কৰাৰ লগতে দহ মাইলৰ ভিতৰৰ গাঁওসমূহৰ পুৰুষ ভোটাৰে ৬ গৰাকী সদস্যক নিৰ্বাচিত কৰিব।অৱশ্যে আদালতত চলি থকা গোচৰৰ বাবে ফকিৰটোলাৰ তিনিগৰাকীকৈ সদস্যৰ নিৰ্বাচন স্থগিত ৰাখিছে বুলিও সংবাদমেল যোগে অৱগত কৰে। তেনে কাৰণত ফকিৰটোলাৰ ভোটাৰসকলে মাত্ৰ খাদিম পদত ভোট প্ৰদান কৰাৰ বিপৰীতে পাঁচ মাইল আৰু দহ মাইলৰ ভোটাৰে খাদিমসহ সদস্যৰ পক্ষত দুটাকৈ ভোট দান কৰিব পাৰিব।

# তামুলপুৰত হস্তী-মানুহৰ সংঘাত সম্পৰ্কে সজাগতা সভা

**ই-সংবাদ, তামুলপুৰ, ১৪ নৱেম্বৰঃ** তামুলপুৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত আজি জিলাখনত অব্যাহত থকা হস্তী-মানুহৰ সংঘাত শীৰ্ষক এখন সজাগতা সভা অনুষ্ঠিত হৈ যায়। জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে সঞ্চালনা কৰা সজাগতা সভাত জিলা আৰক্ষী অধীক্ষক দিগন্ত কুমাৰ চৌধুৰী, অতিৰিক্ত আয়ুক্ত হেমাশ্ৰী খনিকৰ, জিলা বন প্ৰাধিকৰণ বিষয়া গোলাপ চন্দ্ৰ বনিয়া, স্বেচ্ছাসেৱী অনুষ্ঠান 'আৰণ্যক'ৰ সমন্বয়ক ৰাবীয়া দৈমাৰী, কাজিৰঙা বণ্যপ্ৰাণী সমাজৰ যুটীয়া সম্পাদক জয়ন্ত কুমাৰ দাস, দ্য গ্ৰীন গ্ল'ৱেলৰ পল্লৱলোচন ডেকা, এছটেকৰ বিষয়া প্ৰাঞ্জল বেজবৰুৱা, চায়পত্তি ফাউণ্ডেচনৰ সভাপতি মাধৱ চেত্ৰীয়ে হাতী-মানুহৰ সংঘাত ৰোধ সন্দৰ্ভত বক্তব্য ৰাখি কৰণীয় কামৰ ওপৰত আলোচনা আগবঢ়ায় আৰু হাতীৰ গতিবিধি নিৰীক্ষণৰ বাবে ৰেডিঅ' কলাৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা, হাতী দণ্ডীসমূহ মুক্ত কৰা, ছ'লাৰ ফেন্সিং ব্যৱহাৰত চকু ৰখা, ক্ষতিগ্ৰস্ত লোকসকলক সময়মতে ক্ষতিপূৰণ দিয়া, ক্ষতিগ্ৰস্ত লোকসকলক কিদৰে চৰকাৰীভাৱে জীৱন-জীৱিকাৰ সন্ধান দিব পাৰি, ক্ষতিগ্ৰস্ত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা আনি শিক্ষকসকলক জড়িত কৰা কিছু পৰামৰ্শ আগবঢ়ায়। সজাগতা সভাত জয়ন্ত কুমাৰ দাসে কয় যে হাতীক শত্ৰু জ্ঞান নকৰি সিহঁতক জীয়াই থাকিব দিব লাগিব। তাৰ বাবে হাতীৰে সৈতে আমি সহযোগ কৰিবহে লাগিব। সভাত ৰাজহ চক্ৰ বিষয়া ক্ৰমে এলিমা কাগুলনা, মানস কুমাৰ বৰা, জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানীসকল, ৰেঞ্জাৰসকলৰ উপৰি হাতী-মানুহৰ সংঘাত দূৰীকৰণত লাগি থকা স্থানীয় সমিতিসমূহৰ বিষয়ববীয়াসকল উপস্থিত থাকে। আৰক্ষী অধীক্ষক দিগন্ত চৌধুৰীয়ে কয় যে জিলাখনত ২০১৯ চনৰ পৰা মুঠ চৈধ্যগৰাকী লোক হাতীৰ আক্ৰমণত নিহত হৈছে। হাতী-মানুহৰ সংঘাতৰ ক্ষেত্ৰত বনবিভাগ, এছ এছ বি আৰু আৰক্ষী প্ৰশাসনেও সম্পূৰ্ণ সহযোগিতা আগবঢ়াৱ বুলি তেওঁ কয়। আনহাতে, সজাগতা সভাত বিভিন্নজনে দিয়া দিহা-পৰামৰ্শৰ ওপৰত বিতংকৈ আলোচনা কৰি জিলা আয়ুক্তগৰাকীয়ে নিজৰ মতামত দাঙি ধৰি কেবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ বিষয়ে অৱগত কৰে। হাতী-মানুহৰ সংঘাত নিৰাময় কৰিবলৈ এখন সজাগতা সভাৰ আয়োজন কৰি হাতী বিশেষজ্ঞ ড০ কুশল কুমাৰ শৰ্মাই হস্তীকন্যাখ্যাত পাৰ্বতী বৰুৱাক নিমন্ত্ৰণ কৰি কিছু দিহা-পৰামৰ্শ গ্ৰহণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। জিলাখনত প্ৰধান সমস্যা হিচাপে থিয় দিয়া হাতী-মানুহৰ সংঘাত নিয়ন্ত্ৰণ কৰাত গভীৰতা বুজি কাম কৰি যাব বুলি সকলোৱে মত প্ৰকাশ কৰে।

## দুলু আহমেদৰ যোগদানৰ পিছতেই আৰম্ভ তৎপৰতা

# হাজোত তৃণমূল কংগ্ৰেছৰ কাৰ্যালয় মুকলি সাংসদ সুস্মিতাৰ

**ই-সংবাদ, হাজো, ১৪ নৱেম্বৰঃ** হাজোৰ কলিতাকুছিত সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছৰ এটা কাৰ্যালয় মুকলি কৰা হয়। কাৰ্যালয়টো আনুষ্ঠানিকভাৱে মুকলি কৰে ৰাজ্যসভাৰ সাংসদ সুস্মিতা দেৱে। কাৰ্যালয় মুকলিৰ পিছতে এক সংবাদমেল সম্বোধন কৰি ৰাজ্যসভাৰ সাংসদ সুস্মিতা দেৱে কয় যে, অনাগত দিনত অসমত তৃণমূল কংগ্ৰেছৰ ভেটি যথেষ্ট মজবুত কৰিব লাগিব। বংগ কন্যা মমতা বেনাৰ্জীয়ে অসমক লৈ যথেষ্ট আশাবাদী। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত কমেও ৩০খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব তৃণমূল কংগ্ৰেছে। আনহাতে, আগন্তুক পঞ্চায়ত নিৰ্বাচনতো দলটোৱে প্ৰায় প্ৰতিটো সমষ্টিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলিও কয় সাংসদগৰাকীয়ে। আনহাতে, আগন্তুক দিনত বিজেপিক ক্ষমতাৰ বাহিৰত ৰখাৰ স্বাৰ্থত বিৰোধী ঐক্যৰ সৈতে চামিল হ'ব বুলিও গুৰুত্বপূৰ্ণ মন্তব্য কৰে তৃণমূল নেতৃগৰাকীয়ে। ৰাজ্যৰ শাসনাধিষ্ঠিত বিজেপি চৰকাৰখনক তীব্ৰ সমালোচনা কৰি সুস্মিতা দেৱে কয় যে, হৰ্চ ট্ৰেডিঙত সিদ্ধহস্ত বিজেপি দলে একমাত্ৰ পঞ্চায়ত দখল কৰাৰ স্বাৰ্থতে এইবেলি প্ৰতীক অবিহনে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ওলাইছে। আনহাতে, তৃণমূল কংগ্ৰেছৰ ৰাজ্যিক সভাপতি সম্পৰ্কে গুৰুত্বপূৰ্ণ মন্তব্য কৰি কয় যে তৃণমূল কংগ্ৰেছৰ ন-পুৰণি কৰ্মীক লৈ এখন পেনেল গঠন কৰা হৈছে আৰু অতি শীঘ্ৰে সভাপতিৰ নাম ঘোষণা কৰা হ'ব। ইফালে কাৰ্যালয় মুকলি অনুষ্ঠানৰ পিছতেই কাৰ্যালয় চৌহদত অনুষ্ঠিত এক যোগদান কাৰ্যসূচীত পাঁচ শতাধিক পুৰুষ মহিলাই যোগদান কৰে তৃণমূল কংগ্ৰেছত। অনুষ্ঠানত সাংসদগৰাকীৰ স'তে তৃণমূল কংগ্ৰেছত নতুনকৈ যোগদান কৰা দুলু আহমেদো উপস্থিত থাকে। বিচাৰি আছে যদিও অদ্যপি সন্ধান উলিয়াব পৰা নাই।

## নিষিদ্ধ হ'ল সকলো ধৰণৰ লটাৰী তথা ভাগ্য পৰীক্ষা

# শুৱালকুছিত ১১ দিনীয়াকৈ ধুমধামেৰে আৰম্ভ ৰাস মহোৎসৱ

**ই-সংবাদ, শুৱালকুছি, ১৪ নৱেম্বৰঃ** শুৱালকুছিৰ সাৰ্বজনীন ৰাস মহোৎসৱ উদযাপন সমিতিৰ উদ্যোগত শুৱালকুছিৰ মহাবাহু ব্ৰহ্মপুত্ৰৰ সেউজ বালিচৰত আজিৰে পৰা ২৫ নৱেম্বৰলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে ভগৱান শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ উদযাপিত হ'ব। শুৱালকুছিবাসী ৰাইজৰ লগতে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক মুখ্য পৃষ্ঠপোষক, সাংসদ ফণীভূষণ চৌধুৰীক পৃষ্ঠপোষক, জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ আৰু আৰক্ষী অধীক্ষক ৰঞ্জন ভূঞাক মুখ্য উপদেষ্টা হিচাপে ৰাস উদযাপন সমিতিত স্থান দিয়া হৈছে। ৰাস মহোৎসৱ উদযাপন সমিতিৰ সভাপতিৰ দায়িত্বত আছে ৰাজীৱ দাস আৰু সম্পাদকৰ দায়িত্বত আছে ক্ৰমে শিৱপ্ৰসাদ শৰ্মা, অৰূপ দাস, মিণ্টু দাস। আজি প্ৰথম দিনাৰ কাৰ্যসূচী হিচাপে পুৱা ৮ বজাত সভাপতি ৰাজীৱ দাসে পতাকা উত্তোলন, বিশিষ্ট সমাজকৰ্মী দীনেশ বৈশ্যই বন্তি প্ৰজ্বলন কৰাৰ লগতে কামৰূপ জিলা অতিৰিক্ত জিলা আয়ুক্ত কমল বৰুৱাই কাৰ্যালয় উদ্বোধন কৰে। প্ৰথম দিনাৰ আকৰ্ষণীয় কাৰ্যসূচীৰ ভিতৰত বৰ্ণাঢ্য শোভাযাত্ৰা, মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ, মুখ্যদ্বাৰ উন্মোচনৰ লগতে মূল মণ্ডপ মুকলি অন্যতম কাৰ্যসূচী। বিভিন্ন কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী, কামৰূপৰ আৰক্ষী অধীক্ষক ৰঞ্জন ভূঞা, হাজোৰ চক্ৰ বিষয়া আফ্ৰিন হুছেইন, ঈশ্বৰ শ্ৰীশ্ৰী হাটীসত্ৰ সত্ৰাধিকাৰ ৰাজীৱ লোচন সন্ত, প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্টৰ মুখ্য পৰিচালন সঞ্চালিকা ৰিণিকি ভূঞা শৰ্মা, কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, শুৱালকুছি ফেশ্বন প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানৰ অধ্যক্ষা নীৰাঞ্জলী কাকতি, গৌতম কনষ্ট্ৰাকচনৰ স্বত্বাধিকাৰী চি আৰ বৈদ উপস্থিত থাকিব। ১১ দিনীয়া ৰাস মহোৎসৱৰ বিশেষ আকৰ্ষণ হিচাপে থাকিব ৰঙীন আলোকসজ্জা আৰু বিদ্যুৎচালিত মৃন্ময় মূৰ্তিকে ধৰি মুঠ ৩৮ টা মৃন্ময় মূৰ্তি, ২১ ফুট ওখ ভগৱান শ্ৰীৰাম আৰু হনুমানৰ সুউচ্চ প্ৰতিমূৰ্তি, কাৰিকৰী প্ৰযুক্তিযুক্ত বৃন্দাবন, আটকধুনীয়া মূল প্ৰৱেশ তোৰণকে ধৰি ৮ টা আলোকসজ্জিত তোৰণ, জীৱন্ত ৰাস, আনন্দ মেলা আদি। তদুপৰি এইবাৰ ৰাস মহোৎসৱত পুতলা থিয়েটাৰ প্ৰদৰ্শনৰ লগতে প্ৰদৰ্শিত হ'ব জয় হনুমেন, বিদুৰভাই আৰু লোকেল কুংফু-৩ ৰ দৰে জনপ্ৰিয় অসমীয়া ছবি লগতে শুৱালকুছিৰ মাধৱ ক্ষেত্ৰত থাকিব আৰ্টফেড আৰু ৰাফেডৰ বস্ত্ৰমেলা। ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি আয়োজন কৰা হৈছে অসম ভিত্তিত 'বডি বিল্ডিং' প্ৰতিযোগিতা, জিলা ভিত্তিত দিহানাম আৰু ধৰ্মীয় নৃত্য প্ৰতিযোগিতা। ৰাস মহোৎসৱৰ সাংস্কৃতিক মঞ্চত ২১ নৱেম্বৰত নীল আকাশ, ২৩ নৱেম্বৰত নৱনীতা শৰ্মা আৰু দ্বীপজ্যোতি নাথ, ২৫ নৱেম্বৰত মৰ্মিতা মিত্ৰই সংগীত পৰিৱেশন কৰিব। ইফালে, শুৱালুছিৰ ৰাস মহোৎসৱ উদযাপন সমিতিয়ে প্ৰতি বছৰে আয়োজন কৰা আকৰ্ষণীয় উপহাৰ কুপন আৰু চকৰী পদ্ধতিৰ ভাগ্য পৰীক্ষাৰ খেলক লৈ শেহতীয়াকৈ সৃষ্টি হৈছে অনিশ্চয়তাৰ। যিহেতু অসম চৰকাৰে ২০২১ চনতে অসমৰ লটাৰীমুক্ত ৰাজ্য হিচাপে ঘোষোণা কৰিছিল সেয়ে যোৱা ১৩ নৱেম্বৰত ৰাজ্যৰ বিত্ত বিভাগে অসমৰ কোনো স্থানতেই লটাৰী আয়োজন কৰা অনুমতি লাভ নকৰিব বুলি নিৰ্দেশনা জাৰি কৰিছে।

# কামৰূপৰ বৰকুচিত মামণি ৰয়ছম গোস্বামীৰ ওপজা দিন পালন

**ই-সংবাদ, মিৰ্জা, ১৪ নৱেম্বৰঃ** আজি শিশু দিৱসৰ লগত সংগতি ৰাখি জৱাহৰলাল নেহৰু আৰু বিশিষ্ট সাহিত্যিক মামণি ৰয়ছম গোস্বামীৰ জন্মদিন উপলক্ষে সাহিত্য সংস্কৃতি বিকাশ গোষ্ঠী কামৰূপৰ এখনি সভা বৰকুচিৰ চিনাকি ভৱনত অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে নেহৰুৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে গোষ্ঠীৰ কাৰ্যকৰী সভাপতি ৰণজিৎ চৌধুৰীয়ে। তেওঁ শিশু দিৱস সম্পৰ্কে বক্তৃতা প্ৰদান কৰি কয় যে শিশুসকলক সকলো ফালৰ পৰা সংৰক্ষিত কৰি ৰাখিব পাৰিলেহে শিশু দিৱসৰ প্ৰকৃত মূল্যায়ন কৰা হ'ব। শিশুসকল হ'ল এখন দেশৰ ভৱিষ্যত। আজিৰ শিশু কাইলৈৰ নাগৰিক। দেশ এখনৰ ভৱিষ্যত প্ৰগতিৰ বাবে শিশু হ'ল সাম্ভাব্য আৰু উপযোগী মানৱ সম্পদ। শিশুসকলক সকলো ফালৰ পৰা সুৰক্ষিত কৰিব পাৰিলেহে শিশু দিৱস উদযাপনৰ প্ৰাসংগিকতা থাকিব। ড০ শৈলেন ঠাকুৰীয়াই শিশু দিৱস আৰু মামনি ৰয়ছম গোস্বামীৰ বিষয়ে বক্তব্য প্ৰদান কৰি মামনি ৰয়চম গোস্বামীক মানৱতাৱে লিখা এগৰাকী নাৰীবাদী লেখিকা বুলি উল্লেখ কৰে। সভাৰ সভাপতি মালব্য মালী আৰু অশ্বিনী কুমাৰ তালুকদাৰ, প্ৰফুল্ল চৌধুৰী, বিজিত চন্দ্ৰ চৌধুৰী, মমত চন্দ্ৰ মজুমদাৰ, কুতুবুদ্দিন আহমেদ, দ্বীজেন তালুকদাৰ আদিয়ে জৱাহৰলাল নেহৰু আৰু মামণি ৰয়ছম গোস্বামীলৈ শ্ৰদ্ধাঞ্জলি জনাই পুষ্পাঞ্জলি অৰ্পণ কৰি বক্তব্য প্ৰদান কৰে।

# খুমটাইৰ ২ নং শেনছোৱাৰ তামুলী চুক নামঘৰৰ শতবৰ্ষ অনুষ্ঠান

**ই-সংবাদ, খুমটাই, ১৪ নৱেম্বৰঃ** গোলাঘাট জিলাৰ খুমটাইৰ এক ঐতিহ্যমণ্ডিত ধৰ্মীয়নুষ্ঠান ২ নং শেনছোৱাৰ তামুলী চুক নামঘৰে শতবৰ্ষ অতিক্ৰম কৰিলে। নামঘৰ ভাগৰ শতবৰ্ষ অনুষ্ঠানৰ লগত সংগতি ৰাখি শতবৰ্ষ উদযাপন সমিতিৰ উদ্যোগত শতবৰ্ষ অনুষ্ঠানৰ অংশস্বৰূপে আজি শিশু দিৱসৰ দিনটোত নামঘৰ প্ৰাংগণত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। উচ্চ আৰু নিম্ন দুটা শাখাত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত গোলাঘাট জিলাৰ বিভিন্ন প্ৰান্তৰ বিদ্যালয়সমূহৰ তিনিশৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। শিশু দিৱসৰ দিনটোত শিশুৰ মাজত এই প্ৰতিযোগিতাৰ আয়োজন কৰিবলৈ পাই আনন্দ প্ৰকাশ কৰে উদযাপন সমিতিয়ে। তদুপৰি আগন্তুক দিনবোৰত নামঘৰ ভাগৰ শতবৰ্ষ উপলক্ষে শতবৰ্ষ উদযাপন সমিতিয়ে কেইবাটাও কাৰ্যসূচী হাতত লৈছে।

# ধুবুৰীত গৰু ভৰ্তি বিলাসী বাহনসহ আটক সৰবৰাহকাৰী

**ই-সংবাদ, গোলকগঞ্জ, ১৪ নৱেম্বৰঃ** ধুবুৰী জিলাৰ বালাজান পহৰা চকীৰ আৰক্ষীয়ে যোৱা নিশা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই চোৰাং গৰু কঢ়িওৱা বিলাসী বাহনসহ এজন সৰবৰাহকাৰীক আটক কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, গোপন খবৰৰ ভিত্তিত বালাজান আৰক্ষী ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত খাপ পিটি আছিল। পশ্চিমবংগৰ পৰা গৌৰীপুৰ অভিমুখী WB-6959 নম্বৰৰ সন্দেহজনক বিলাসী বাহন এখনক আৰক্ষীৰ দলে ৰ'বলৈ নিৰ্দেশ দিয়ে। আৰক্ষীৰ নিৰ্দেশ অমান্য কৰি পলাবলৈ লওঁতে আৰক্ষীয়ে পিছে পিছে খেদি যায়। দুমৰদহ দ্বিতীয় খণ্ড গাঁৱত ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰতে বাহন এৰি সৰবৰাহকাৰীয়ে পলায়ন কৰে। কিন্তু আৰক্ষীৰ দলে খেদি খেদি সৰবৰাহকাৰীজনক আটক কৰে। আটকাধীন লোকজন ধুবুৰী ৰিজাৰ্ভৰ চৰৰ প্ৰয়াত মকছেদ আলীৰ পুত্ৰ আব্দুল মোতালেব(২২)। আৰক্ষীয়ে বাহনখনৰ পৰা চাৰিটা গৰু উদ্ধাৰ কৰে। গৰুবোৰ বাংলাদেশলৈ চালানৰ উদ্দেশ্যে পশ্চিমবংগৰ পৰা কঢ়িয়াই আনিছিল।

# শদিয়াত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ আয়োজন

**ই-সংবাদ, ডুমডুমা, ১৪ নৱেম্বৰঃ** নৱগঠিত শদিয়া সমজিলা প্ৰশাসন, মহকুমা তথ্য আৰু জনসংযোগ বিভাগৰ যৌথ উদ্যোগত তথা শদিয়া প্ৰেছ ক্লাবৰ সহযোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস ১৬ নৱেম্বৰত শদিয়াৰ সদৰ চপাখোৱাস্থিত সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত পুৱা ১০:০০ বজাৰ পৰা উদযাপনৰ দিহা কৰা হৈছে। এই উপলক্ষে আজি ভাৰপ্ৰাপ্ত মহকুমা তথ্য আৰু জনসংযোগ বিষয়া পৰ্চিয়া খনিকৰৰ পৌৰোহিত্যত তথা শদিয়া প্ৰেছ ক্লাবৰ সদস্যসকলৰ উপস্থিতিত এখনি বৈঠক অনুষ্ঠিত হয়। বৈঠকত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপনৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰা হয়। ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ লগত সংগতি ৰাখি এখনি আলোচনা চক্ৰৰো আয়োজন কৰা হৈছে। আলোচনা চক্ৰৰ বিষয়বস্তু হল- "প্ৰেছৰ পৰিবৰ্তিত প্ৰকৃতি"(CHANGING NATURE OF PRESS)। সহকাৰী আয়ুক্ত পৰ্চিয়া খনিকৰৰ পৌৰোহিত্যত অনুষ্ঠিত হ'বলগীয়া উক্ত আলোচনা চক্ৰত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব শদিয়া সমজিলাৰ আয়ুক্ত মানসজ্যোতি নাথে। বৈঠকত শদিয়া সমজিলাৰ জ্যেষ্ঠ সাংবাদিক ক্ৰমে সমৰজ্যোতি গগৈ, বিনয় ভূষণ শেনচোৱা, মানসজ্যোতি কোঁৱৰ, নিৰুপন বুঢ়াগোহাঁই, জনসংযোগ বিভাগৰ আয়েজৰ ৰহমান আৰু মনোজ কুমাৰ বিৰিহাৰ উপস্থিত থাকে।



# গোৰেশ্বৰৰ আউৰীয়াপাৰাত ব্যতিক্ৰমীকৈ শিশু দিৱস উদযাপন

**ই-সংবাদ, গোৰেশ্বৰ, ১৪নৱেম্বৰঃ** বিটিআৰৰ গোৰেশ্বৰৰ বিভিন্ন প্ৰান্তৰ লগতে আউৰীয়াপাৰাত শিশু দিৱস উদযাপন কৰা হয়। লাচিত বৰফুকন সোঁৱৰণী পুথিভঁৰাল আৰু আউৰীয়াপাৰা শৈক্ষিক ন্যাসৰ উদ্যোগত ভূপেন ডেকা সোঁৱৰণী শিশু উদ্যানত পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্ম দিনটোত শিশু দিৱস পালন কৰা হয়। নৃত্য-গীতৰ মাজেৰে শিশু দিৱস উদযাপন কৰা হয়। অনুষ্ঠানতশিশু দিৱসৰ তাৎপৰ্য সম্পৰ্কে আলোচনা আগবঢ়াই দুনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক বিৰাজ ডেকা, যুৱ সমাজকৰ্মী মায়া ডেকা উপস্থিত থাকে। বিৰাজ ডেকা আৰু মায়া ডেকাই কয় যে পণ্ডিত জৱাহৰলাল নেহৰুৱে শিশুসকলক খুব ভাল পাইছিল। শিশুসকলক তেওঁ অতি মৰম আৰু আদৰ কৰিছিল। সকলো শিশুৰ বাবে তেওঁ আছিল মৰমৰ নেহৰু খুৰা। তেওঁ শিশুসকলৰ শিক্ষা-দীক্ষা আৰু সৰ্বতোপ্ৰকাৰ কল্যাণৰ বাবে অধিক গুৰুত্ব আৰোপ কৰিছিল। পণ্ডিত নেহৰুৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি আৰু শিশুৰ প্ৰতি থকা তেওঁৰ মৰম ভালপোৱাৰ বাবেই তেওঁৰ জন্মদিনৰ লগত সংগতি ৰাখি ১৪ নৱেম্বৰৰ দিনটোত সমগ্ৰ ভাৰতত শিশু দিৱস হিচাপে পালন কৰা হয়।

# মোৰাঝাৰত ড্ৰাগছ ভৰ্তি কণ্টেইনাৰসহ দুজন আটক

**ই-সংবাদ, মোৰাঝাৰ, ১৪ নৱেম্বৰঃ** হোজাইৰ মোৰাঝাৰ আৰক্ষীয়ে চলোৱা এক অভিযানত বৃহৎ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। মোৰাঝাৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পৰিদৰ্শক নিখিল চন্দ্ৰ ৰয়ৰ নেতৃত্বত আজি পুৱতি নিশা এক অভিযান চলাই যমুনা মৌডংগা কৃষিপাম নিগমৰ পৰা ৫ টা সন্দেহযুক্ত নিষিদ্ধ ড্ৰাগছ ভৰ্তি কণ্টেইনাৰসহ দুজন লোকক আটক কৰে। আটকাধীন লোক দুজন নুৰ আলম আৰু ইক্ৰামুল আলী বুলি জানিব পৰা গৈছে।

# নেহৰু যুৱ কেন্দ্ৰ আৰু সংগীত কানন লখিমপুৰৰ উদ্যোগত শিশু দিৱস উদযাপন



**ই-সংবাদ, উত্তৰ লখিমপুৰ, ১৪ নৱেম্বৰঃ** সমগ্ৰ দেশৰ লগতে আজি ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনস্থ উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত সংগীত কানন লখিমপুৰৰ সহযোগত লখিমপুৰ জিলাৰ আগশাৰীৰ বিদ্যালয় বাপুজী বিদ্যালয়ৰ প্ৰাংগণত শিশু দিৱস উদযাপন কৰা হয়। উক্ত শিশু দিৱসৰ অংশস্বৰূপে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখনি চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা চিত্ৰাংকন প্ৰতিযোগিতাত দুয়োটা শাখাতে ক্ৰমে লিঅ'নাৰ্ড বৰা আৰু সেৰক ছেত্ৰীয়ে প্ৰথম স্থান, অভিষেক দত্ত আৰু বৰ্ণিল শইকীয়াই দ্বিতীয় স্থান আৰু অনুৰাগ সোণোৱাল আৰু হৰ্ষিল দত্তই তৃতীয় স্থান লাভ কৰে। উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত সংগীত কানন লখিমপুৰৰ সহযোগত অনুষ্ঠিত উক্ত শিশু দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকে সংগীত কানন লখিমপুৰৰ অধ্যক্ষ দেৱ দত্ত, আৰ্ট শিক্ষক সাগৰিকা সোণোৱাল, কৰবী দত্ত, ৰূপামণি নাথ দত্ত, উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ চয়নিকা দত্তৰ লগতে উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ স্বেচ্ছাসেৱক, বাপুজী বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, সংগীত কানন লখিমপুৰৰ শিক্ষকসকল। আজিৰ চিত্ৰাংকন প্ৰতিযোগিতাত পুৰস্কাৰ প্ৰাপ্ত প্ৰতিযোগীসকলক সংগীত কানন লখিমপুৰৰ অধ্যক্ষ দেৱ দত্ত, উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ ৰূমজ্যোতি চেতিয়াই অভিনন্দন জ্ঞাপন কৰে।



শদিয়াত ৰাইজৰ দলৰ জনসভাৰ এটি দৃশ্য, বৃহস্পতিবাৰে

## কামপুৰৰ নিশাৰী নৈত শিশুৰ মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, কামপুৰ, ১৪ নৱেম্বৰঃ** কামপুৰৰ কেকুঁৰিবাৰীত নিশাৰী নৈত আজি শিশু দিৱসৰ দিনাই পুৱা এটি শিশুৰ মৃতদেহ উদ্ধাৰ হয়। এই ঘটনাৰ পিছতে সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পৰে। প্ৰাপ্ত খবৰ অনুসৰি, গাঁওখনৰ কৃষ্ণ হাজৰিকা নামৰ লোকজনৰ ৬ বছৰীয়া কন্যা জাগৃতি হাজৰিকা কালি বিয়লিৰ পৰা সন্ধানহীন হৈ আছিল। নিশাৰী নৈৰ পাৰত শিশুৰ ভৰিৰ খোজ প্ৰত্যক্ষ কৰি স্থানীয় লোকে কালি উদ্ধাৰকাৰী দলক খবৰ দিয়াত নিশাৰীৰ বুকুত উদ্ধাৰ অভিযান চলোৱা হৈছিল যদিও কোনো শুংসূত্ৰ পোৱা নাছিল। আজি স্থানীয় লোকে নিশাৰীৰ বুকুত শিশুটিৰ মৃতদেহ প্ৰত্যক্ষ কৰি উদ্ধাৰ কৰে।

# শদিয়াত ৰাইজৰ দলৰ জনসভা, কংগ্ৰেছক সমালোচনা অখিল গগৈৰ

**ই-সংবাদ, ডুমডুমা, ১৪ নৱেম্বৰঃ** "ভাৰতত যেতিয়া সকলো বিৰোধী ৰাজনৈতিক দল একত্ৰিত হৈছে, তেতিয়া বিজেপি হাৰি গৈছে। আৰু যেতিয়া কংগ্ৰেছে অকলে নিৰ্বাচন খেলিছে তাত সদায় বিজেপি জিকি আহিছে। উপ-নিৰ্বাচনত কংগ্ৰেছে অকলে নিৰ্বাচন খেলিছে, কেইটাত জিকে মই নাজানো! কিন্তু আমি যদি একেলগে খেলিলোহেঁতেন তেন্তে বৰাকৰ সমষ্টিটোৰ বাহিৰে বাকী চাৰিটা সমষ্টিতেই আমি জিকিলোহেঁতেন!" ৮১ নং শদিয়া বিধানসভা সমষ্টিৰ অম্বিকাপুৰ বজাৰ খেলপথাৰস্থিত ভানু মুকলি মঞ্চত আজি প্ৰায় পাঁচ শতাধিক ৰাইজক সম্বোধন কৰি ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে এনেদৰে সমালোচনা কৰে কংগ্ৰেছ দলক। আগন্তুক ২০২৬ ৰ বিধান সভা নিৰ্বাচনৰ বাবে সমষ্টিটোত একপ্ৰকাৰৰ কুচ-কাৱাজ আৰম্ভ কৰি ৰাইজৰ দলৰ সভাপতিগৰাকীয়ে বিধায়ক হিচাপে জয়ী হোৱাৰ পিছত প্ৰথমবাৰৰ বাবে শদিয়াত এইদৰে ৰাইজৰ দলৰ প্ৰথমখন ৰাজহুৱা সভাত উপস্থিত হৈ দিবাং নদীবান্ধৰ বিৰুদ্ধে সৰৱমুখৰ হৈ পৰাৰ লগতে শাসকীয় বিজেপি আৰু কংগ্ৰেছক একপ্ৰকাৰ তুলাধুনা দিয়ে। অখিল গগৈয়ে শদিয়াৰ পৰাই বৃহৎ নদীবান্ধ বিৰোধী আন্দোলন আৰম্ভ কৰাৰ কথা ঘোষণা কৰাৰ লগতে ৰাজ্যৰ শেহতীয়া উপ-নিৰ্বাচন কেন্দ্ৰীক সংঘাতৰ সন্দৰ্ভত চৰকাৰ তথা অসম আৰক্ষীক ক্ষুৰধাৰ সমালোচনা কৰে। "জয় আই অসম" ধ্বনিৰে ভাষণ আৰম্ভ কৰি অখিল গগৈয়ে উপস্থিত ৰাইজক সম্বোধি দিয়া ভাষণত তেওঁ ১০ বছৰ মান শদিয়াত কাম কৰিবলৈ অহা নাই বুলি কৈ কৃষক মুক্তিৰ কাৰ্যকালত শদিয়াত আগতে দীৰ্ঘদিন ধৰি প্ৰত্যেকখন গাঁৱত খোজ কাঢ়ি পদযাত্ৰা কৰাৰ কথা উল্লেখ কৰি এতিয়াৰ পৰা শদিয়াত নিৰৱিচ্ছিন্ন ভাৱে দলৰ সাংগঠনিক ভেঁটি শক্তিশালী কৰাৰ বাবে প্ৰচেষ্টা চলাই যোৱাৰ কথা উল্লেখ কৰে। গগৈয়ে "দিছপুৰৰ এজেণ্ট" হিচাপে নহ'য়, শদিয়াৰ প্ৰতিনিধি হিচাপে শদিয়াৰ মানুহৰ স্বাৰ্থৰ পক্ষত থাকিব পৰা, ৰাইজৰ হৈ মাত মাতিব পৰা এজন সৰ্বজনগ্ৰহণযোগ্য ব্যক্তিক ৰাইজৰ দলৰ পৰা জয়ী কৰাই অনাৰ বাবে চেষ্টা অব্যাহত ৰখা বুলিও জানিবলৈ দিয়ে। অখিল গগৈক সংগ দিয়ে শদিয়া বিজেপিৰ প্ৰাক্তন সভাপতি তথা সম্প্ৰতি ৰাইজৰ দলৰ উপ-সভাপতি যুধিষ্ঠিৰ গগৈয়ে। শদিয়াত অখিল গগৈৰ আজিৰ সভাই শাসকীয় বিজেপিৰ ভেঁটিত একপ্ৰকাৰ কঁপনি তুলিছে বুলি চৰ্চিত হৈছে।

## মান্দাকাটা শংকৰ আজান জাঃ বিদ্যালয়ৰ নৱাগত আদৰণি

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১৪ নৱেম্বৰঃ** কামৰূপ জিলাৰ অন্যতম ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান মান্দাকাটা শংকৰ আজান জাতীয় বিদ্যালয়ৰ দ্বাবিংশ বাৰ্ষিক নৱাগত আদৰণী আৰু বঁটা বিতৰণী সভাখন বুধবাৰে অনুষ্ঠিত হৈ যায়। শংকৰ আজান জাতীয় বিদ্যালয়ৰ সচিব ৰহিমুদ্দিন আহমেদ আৰু অধ্যক্ষ ইছাহক আলীয়ে অৱগত কৰা মতে, সভাৰ কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত পতাকা উত্তোলন কৰাৰ পিছতে শ্বহীদ তৰ্পণ, বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পতাকা উত্তোলন কৰে বিদ্যালয়ৰ শিক্ষা সঞ্চালক আব্দুল ৰকিবে। দিনৰ ১১ বজাত অনুষ্ঠিত কৰা হয় ছাত্ৰ-ছাত্ৰীৰ প্ৰীতি সমাৰোহ। ১২ বজাত অনুষ্ঠিত কৰা হয় মুকলি চ'ৰা। বিয়লি ২ বজাৰ পৰা বিভিন্ন গীত মাত নৃত্য পৰিৱেশনৰে অনুষ্ঠিত কৰা হয় ছাত্ৰ-ছাত্ৰীৰ সাংস্কৃতিক অনুষ্ঠান। এই অনুষ্ঠানত সভাপতিত্ব কৰে আগডলা চাৰিআলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক খগেন চন্দ্ৰ ডেকাই। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মনজুৰ আলী। অনুষ্ঠানত প্ৰেৰণাদায়ক বক্তা দীপক শৰ্মাই মুখ্য অতিথি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ৰসাল আৰু তত্বগধুৰ বক্তব্য প্ৰদান কৰে। এই অনুষ্ঠানতে ২০২৩-২৪ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত শংকৰ-আজান জাতীয় বিদ্যালয়ৰপৰা সুখ্যাতিৰে উত্তীৰ্ণ ৫৬ গৰাকী ছাত্ৰ-ছাত্ৰীক গামোচা আৰু মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সাংস্কৃতিক অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে গীত-নৃত্য পৰিৱেশন কৰি আনন্দমুখৰ কৰি তোলে বিদ্যালয়ৰ বাকৰি।

## ৰাসৰ মহাৰজত জয়ন্তীঃ উদুলি-মুদুলি শ্ৰীমন্ত শংকৰদেৱ মন্দিৰ

**ই-সংবাদ, বেবেজীয়া, ১৪ নৱেম্বৰঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত ৰাইদঙীয়াৰ সোণাই নদী উত্তৰ আঞ্চলিক শ্ৰী শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱটিয়ে এইবাৰ সগৌৰৱে ৭৬ বৰ্ষত পদাৰ্পণ কৰিছে। সেয়ে এইবাৰ এই ৰাস মহোৎসৱটি মহাৰজত জয়ন্তী বৰ্ষ হিচাপে বেছ উলহ-মালহেৰে আজিৰে পৰা চাৰিদিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত হৈছে। সেয়ে ৰাইজৰ উপস্থিতিৰে উৎসৱস্থলী বৰিবজাৰস্থিত শ্ৰীমন্ত শংকৰদেৱ মন্দিৰ প্ৰাংগণত উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হৈছে। পুৱা প্ৰাতঃ প্ৰসংগেৰে কাৰ্যসূচীৰ পাতনি মেলাৰ পিছতে শ্ৰীমন্ত শংকৰদেৱ মন্দিৰ পৰিচালনা সমিতি আৰু উদযাপন সমিতিৰ বিষয়ববীয়া আৰু স্থানীয় ৰাইজৰ উপস্থিতিৰে পৰিৱেশ নিকাকৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিয়লি উদযাপন সমিতিৰ বৈঠকৰ লগতে সন্ধিয়া গন্ধ বাদন আৰু নাম-প্ৰসংগ পৰিৱেশন কৰা হয়। ইফালে, দ্বিতীয় দিনা পুৱা প্ৰাতঃ প্ৰসংগ, ধৰ্মধ্বজা উত্তোলন, ভাগৱত শোভাযাত্ৰা, দুপৰীয়া পাঠ, খোল প্ৰসংগ আৰু নাম-কীৰ্তন, সন্ধিয়া বন্তি প্ৰজ্বলন আৰু জোৰা পৰিৱেশনৰ অন্তত নিশা মঞ্চ উদ্বোধন আৰু সম্বৰ্ধনা অনুষ্ঠানৰ পিছতে যুৱতীসকলৰ দ্বাৰা শংকৰদেৱৰ গুৰুজনাৰ বিৰচিত 'কেলি গোপাল' নাটখনি প্ৰদৰ্শন কৰা হ'ব। তৃতীয় দিনা পুৱাৰ ভাগত প্ৰাতঃ প্ৰসংগ, পাঠ, খোল প্ৰসংগ, নাম-কীৰ্তন আদিৰ লগতে বিয়লি বয়োজ্যেষ্ঠ ব্যক্তিসকলৰ মাজত অন্তৰংগ আলাপ অনুষ্ঠান আৰু অঞ্চল ভিত্তিত দিহানাম সমাৰোহ অনুষ্ঠিত হ'ব।

# বিটিচি পৰিষদৰ প্ৰাক্তন কাৰ্য্যবাহী সদস্য অলিন্দ্ৰ মোছাহাৰীৰ মৃত্যুত শোক

**ই-সংবাদ, ওদালগুৰি, ১৪ নৱেম্বৰঃ** বি টি চি পৰিষদৰ প্ৰাক্তন কাৰ্য্যবাহী সদস্য তথা ৪০ নং ৰৌতা পৰিষদীয় সমষ্টিৰ প্ৰাক্তন পাৰিষদ, বি পি এফৰ নেতা অলিন্দ্ৰ কুমাৰ মোছাহাৰীয়ে আজি শেষ নিশ্বাস ত্যাগ কৰে। গুৱাহাটীৰ ছয়মাইলস্থিত এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত দিনৰ প্ৰায় ১২ বজাত চিকিৎসাধীন অৱস্থাত শেষ নিশ্বাস ত্যাগ কৰে মুছাহাৰীয়ে। বি টি চি গঠনৰ সময়ৰ পৰা ২০২০ চনলৈ ৪০ নং ৰৌতা সমষ্টিৰ পাৰিষদ আছিল মোছাহাৰী। প্ৰয়াত মোছাহাৰী সমষ্টিটোৰ লগতে বিটিচি অঞ্চলত জনপ্ৰিয় নেতা হিচাপে পৰিচিত আছিল। ৰাজনীতিলৈ অহাৰ পূৰ্বে তেওঁ ছাত্ৰ সংগঠনৰো নেতৃত্ব বহন কৰিছিল। তেওঁ বড়ো জনগোষ্ঠীৰ শক্তিশালী ছাত্ৰ সংগঠন নিখিল বড়ো ছাত্ৰ সন্থাৰ নেতৃত্ব বহন কৰিছিল। তাৰোপৰি তেওঁ আন বহু কেইটা অনুষ্ঠানৰো নেতৃত্বত আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৯ বছৰ। প্ৰয়াত মুছাহাৰীয়ে মৃত্যুৰ সময়ত তিনি গৰাকী কন্যা সন্তানৰ লগতে পত্নীক ইহ সংসাৰত এৰি গৈছে। ২০১৫ চনত তেওঁ বি টি চি পৰিষদৰ ৰাজহ আৰু বজাৰ বিভাগৰ কাৰ্য্যবাহী সদস্য হিচাপে দায়িত্ব লাভ কৰিছিল। এসময়ৰ ছাত্ৰ নেতা তথা পৰৱৰ্তী সময়ত ৰাজনীতিৰ জৰিয়তে বিটিআৰ অঞ্চলত জনপ্ৰিয় হৈ পৰা বড়ো জনগোষ্ঠীক বলিষ্ঠ নেতৃত্ব প্ৰদান কৰা অলিন্দ্ৰ কুমাৰ মুছাহাৰীৰ মৃত্যুত প্ৰাক্তন মন্ত্ৰী ৰিহন দৈমাৰীৰ লগতে গভীৰ শোক প্ৰকাশ কৰিছে অজস্ৰ গুণমুগ্ধই।

# বাঘজান-দীঘলটৰং সাংস্কৃতিক মঞ্চৰ শিশু দিৱস

**ই-সংবাদ, ডুমডুমা, ১৪ নৱেম্বৰঃ** স্বাধীন ভাৰতৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ প্ৰতি সন্মান জনাই তেওঁৰ জন্মদিন ১৪ নৱেম্বৰ তাৰিখটো সমগ্ৰ ভাৰতবৰ্ষতে শিশু দিৱস হিচাপে পালন কৰা হয়। তিনিচুকীয়া জিলাৰ বাঘজান-দীঘলটৰং সাংস্কৃতিক মঞ্চৰ উদ্যোগত অইল ইণ্ডিয়া লিমিটেড দুলীয়াজানৰ সৌজন্যত বাঘজান গাঁও প্ৰাথমিক বিদ্যালয়ৰ আতিথ্যত দিনজোৰা কাৰ্যসূচীৰে বাঘজান গাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগণত আজি শিশু দিৱস উদযাপন কৰা হয়। কাৰ্যসূচী অনুসৰি প্ৰথমে পণ্ডিত জৱাহৰলাল নেহৰুৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰা হয়। ইয়াৰ পাছতে বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতাৰ লগতে চিত্ৰাংকন, কবিতা আবৃত্তি, সংগীত, নৃত্যৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাৰ অন্তত বাঘজান গাঁও প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সমবেত সংগীত পৰিৱেশনেৰে মুকলি সভা আৰু বঁটা-বিতৰণী অনুষ্ঠান আৰম্ভ হয়।

# খাৰুপেটীয়াত বৈজ্ঞানিক পদ্ধতিৰে মীন পালন সম্পৰ্কে সজাগতামূলক সভা

**ই-সংবাদ, খাৰুপেটীয়া, ১৪ নৱেম্বৰঃ** দৰং জিলা মীন বিভাগৰ উদ্যোগত দলগাওঁ ব্লকৰ খাৰুপেটীয়াৰ নিজ বৰুৱাঝাৰ গাঁৱত বুধবাৰে মীন পালন সম্পৰ্কে এখনি সজাগতামূলক সভা অনুষ্ঠিত হয়। নিজ বৰুৱাঝাৰ গাঁৱৰ মীন বিভাগৰ প্ৰগ্ৰেচিভ ফীচ ফাৰ্মাৰ আব্দুৰ ৰৌফ চৌধুৰীৰ সহযোগত আৰু মৎস বিভাগৰ প্ৰশিক্ষণ প্ৰাপ্ত সাহা আলীৰ সভাপতিত্বত অনুষ্ঠিত সজাগতা সভাত উপস্থিত থকা দৰং জিলা মীন বিষয়া বিপুল খাটনিয়াৰে মীন পালক সকলৰ ভৱিষ্যত মীন পালনৰ ক্ষেত্ৰত চৰকাৰে আগবঢ়োৱা আঁচনি সমুহ কেনেকৈ গ্ৰহণ কৰিব আৰু মীন পালনৰ ক্ষেত্ৰত পুখুৰীত সাৰ প্ৰয়োগ আৰু মীন পালনৰ পদ্ধতিৰ ওপৰত আলোকপাত কৰি বক্তব্য প্ৰদান কৰে। মীন পালকসকলে প্ৰধান মন্ত্ৰী মৎস যোজনা অধীনত কি দৰে এনএফডি প'ৰ্টেলৰ জৰিয়তে পঞ্জীয়ন কৰিব তাৰ ওপৰতো বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে দৰং জিলাত মুঠ ৩৩০০ মীন পালকৰ ভিতৰত ইতিমধ্যে ৯০০ ৰ ওপৰত মীন পালকে প'ৰ্টেলত পঞ্জীয়ন কৰিছে বুলি বিষয়াজনে অৱগত কৰে। প'ৰ্টেলৰ জৰিয়তে পঞ্জীয়ন হোৱা মীন পালকসকলে চৰকাৰৰ পৰা বিভিন্ন সুবিধা লাভ কৰিব বুলি মীন বিষয়াজনে প্ৰকাশ কৰে। সভাত বিষয়াজনৰ লগতে জিলা মীন উন্নয়ন বিষয়া হীৰেন পেগু আৰু ৰাজশ্ৰী দেৱী, দলগাওঁ ব্লকৰ বীৰেন্দ্ৰ বৰুৱা লগতে কেবাজনো বিষয়া কৰ্মচাৰী উপস্থিত থাকে।

# ধলাৰ হাতীঘূলি অঞ্চলৰ গৰাখহনীয়া ৰোধৰ দাবীত ৰাইজৰ স্মাৰকপত্ৰ প্ৰদান

**ই-সংবাদ, ডুমডুমা, ১৪ নৱেম্বৰঃ** তিনিচুকীয়া জিলাৰ ছৈখোৱা( ধলা) অঞ্চলৰ হাতীঘূলি, গোহাঁইগাওঁ এলেকাত ব্ৰহ্মপুত্ৰৰ প্ৰবল গৰাখহনীয়াই অঞ্চলটোৰ ৰাইজৰ মাজত তীব্ৰ আতংকৰ সৃষ্টি কৰিছে। উল্লেখ্য যে, ১৯৯৭-১৯৯৮ চনৰ পৰাই উক্ত অঞ্চলটো গৰাখহনীয়া প্ৰবন অঞ্চল হিচাবে চিহ্নিত হৈ আহিছে। বৰ্তমানেও অব্যাহত থকা গৰাখহনীয়াই প্ৰতিদিনেই ১০-১৫ মিটাৰ পৰ্যন্ত মাটি খহাই নিছে। জিলা তথা সংশ্লিষ্ট বিভাগৰ বিষয়াসকলে অঞ্চলটো পৰিভ্ৰমণ কৰি যায় যদিও অদ্যপৰিমিত খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা হাতত লোৱা নাই। ইফালে ঠায়ে-ঠায়ে নৈৰে মঠাউৰি চুই যোৱাৰ পাছটো নৈৰ সোঁতৰ দিশ সলনি কৰাৰ ব্যৱস্থা লোৱা দেখা নগ'ল । বাৰিষা অহাৰ লগে লগে মথাউৰিটো ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱাটো নিশ্চিত হৈ পৰাত নৈ কাষৰীয়া গাঁওসমূহৰ ৰাইজৰ মাজত আতংকই বিৰাজ কৰা দেখা গৈছে। সম্প্ৰতি খৰালি দিনটো এনেধৰণে খহনীয়া অব্যাহত থাকিলে মথাউৰিৰ বাহিৰৰ মাটি সম্পূৰ্ণ শেষ হৈ যোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। আতংকিত হৈ পৰা পশ্চিম ছৈখোৱা অঞ্চলৰ ৰাইজে আজি সমদল কৰি আহি ন-বৰমুৰা পঞ্চায়ত কাৰ্যালয়ৰ সন্মুখত শ্লোগান দি হাতীঘূলি, গোহাই গাঁৱত অব্যাহত থকা গৰাখহনীয়া ৰোধৰ ব্যৱস্থা হাতত লোৱাৰ বাবে চাৰি-দফীয়া এক দাবী সম্বলিত স্মাৰকপত্ৰ ন-বৰমুৰা গাঁও পঞ্চায়তৰ সচিবৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী, জলসম্পদ মন্ত্ৰী, জিলা আয়ুক্তলৈ প্ৰেৰণ কৰা লগতে ইয়াৰ প্ৰতিলিপি পঞ্চায়তখনৰ সচিবকো দাখিল কৰে। স্মাৰকপত্ৰত ৰাইজে হাতীঘূলি আৰু গোহাঁই গাঁৱত হৈ থকা গৰাখহনীয়া তৎকালীন ভাবে বন্ধ কৰা, হ্ৰস্ময়াদী আৰু দীৰ্ঘম্যাদী আঁচনিৰে গৰাখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা হাতত লোৱা, শৈলম্পাৰ দি গোঁহাই গাঁৱৰ পৰা নাওঁকটা লৈকে ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া স্থায়ী প্ৰতিৰোধৰ ব্যৱস্থা কৰা আৰু ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াক ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দিয়াৰ দাবী জনায়।

# চাবুকধৰাত শিশু দিৱস উদযাপন

**ই-সংবাদ, বেৰেজীয়া, ১৪ নৱেম্বৰঃ** সমগ্ৰ ৰাজ্যতে বৃহস্পতিবাৰে বেছ ওলহ-মালহেৰে শিশু দিৱস পালন কৰা হয়। ইয়াৰ অংশহিচাপে নগাঁও আৰু মৰিগাঁও জিলাৰ সীমান্তত অৱস্থিত চাবুকধৰা চৰকাৰী উচ্চ বুনিয়াদী বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে এই দিৱসটি উদযাপন কৰা হয়। শিশুৰ সৰ্বাংগীন বিকাশৰ উদ্দেশ্যে গীত, মাত, নৃত্য, অভিনয় কুইজ আদিৰ সমাহাৰে উদযাপিত এই শিশু দিৱসৰ কাৰ্যসূচীৰ বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী দেৱজানী ভূঞাৰ নেতৃত্বত নিকায়কৰণৰ জৰিয়তে পাতনি মেলা হয়। ইয়াৰ পিছতে বিদ্যালয়ৰ প্ৰধান শিক্ষক ভাৰত দেউৰীয়ে বন্তি প্ৰজলন কৰাৰ পৰৱৰ্তী পৰ্যায়ত বিদ্যালয় পৰিচালনা সমিতিৰ উপ-সভাপতি মেদিনী দেউৰজাৰ সভাপতিত্বত মুকলি সভা আৰু বিচিত্ৰানুষ্ঠান অনুষ্ঠিত কৰা হয়। বিদ্যালয়ৰ সহকাৰী শিক্ষক দীপাংকৰ ডেকাই উদ্দেশ্য ব্যাখ্যা কৰাৰ লগে লগে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে সমূহীয়া প্ৰাৰ্থনাৰে সভাৰ আৰম্ভণি আৰু সাংস্কৃতিক মঞ্চ উদ্বোধন কৰা হয়।

# ৰঙিয়া সমজিলা প্ৰশাসন, সাধনাৰ উদ্যোগত শিশু দিৱস উপলক্ষে প্ৰতিভাৰ সঁফুৰা শীৰ্ষক বিচিত্ৰানুষ্ঠান

**ই-সংবাদ, ৰঙিয়া, ১৪ নৱেম্বৰঃ** সমগ্ৰ ৰাষ্ট্ৰজুৰি পালন কৰা শিশু দিৱস উপলক্ষে আজি ৰঙিয়া সমজিলা প্ৰশাসনৰ সৌজন্যত আৰু বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা সাধনাৰ উদ্যোগত স্থানীয় হৰদত্ত বীৰদত্ত ভৱন প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয় প্ৰতিভাৰ সঁফুৰা শীৰ্ষক বিচিত্ৰানুষ্ঠান। কণ কণ শিশুসকলৰ প্ৰতিভা বিকাশৰ লক্ষ্যৰে ৰূপায়িত কাৰ্যসূচীত গীত-নৃত্য, অভিনয়কে ধৰি বিভিন্ন কলা প্ৰদৰ্শন কৰে শিশু শিল্পীসকলে। যোগাচাৰ্য জ্যোতিষ কলিতাই আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত ৰঙিয়া সমজিলাৰ অন্তৰ্গত বিভিন্ন বিদ্যালয়ৰ পৰা শিশু ছাত্ৰ-ছাত্ৰীসকলে কাৰ্যসূচীত অংশগ্ৰহণ কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত ৰঙিয়া সমজিলাৰ সহকাৰী আয়ুক্ত কৃতাঞ্জলী কাশ্যপকে ধৰি বিষয়াবৰ্গ তথা কৰ্মচাৰীসকলৰ লগতে পুঠিমাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ নিত্যানন্দ কলিতা, ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যাপিকা ৰাণু চৌধুৰীয়েও অংশগ্ৰহণ কৰে। শিশু ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিচালিত মনোজ্ঞ অনুষ্ঠানটোত নৰেন্দ্ৰ শৰ্মা আব্দুল জব্বৰ, বংশীধৰ কলিতা, পবিন কলিতা প্ৰমুখ্যে জ্যেষ্ঠ নাগৰিক তথা বিভিন্ন ক্ষেত্ৰত জড়িত ভালেসংখ্যক লোক উপস্থিত থাকে। একেখন মঞ্চতে পাৰদৰ্শী শিশুসকলক প্ৰমাণ পত্ৰ, গ্ৰন্থ আদিৰে পুৰস্কৃত কৰা হয়।

## ২০২৪ বৰ্ষৰ লক্ষেশ্বৰ হাজৰিকা স্পন্দন বঁটা ঘোষণা

**ই-সংবাদ, গুৱাহাটী, ১৪ নৱেম্বৰঃ** ভাষা-সাহিত্য-সমাজ-সংস্কৃতিৰ সেৱাত উৎসৰ্গিত চৰকাৰী পঞ্জীয়নভুক্ত স্বেচ্ছাসেৱী অনুষ্ঠান ‘স্পন্দন... শব্দৰ পৰা হৃদয়লৈ’ৰ উদ্যোগত চতুৰ্থ বৰ্ষৰ বাবে আয়োজিত ৪০ বছৰৰ অনুৰ্ধৰ কবিৰ ৪০ টা কবিতাৰ পাণ্ডুলিপি প্ৰতিযোগিতাত শীৰ্ষস্থান লাভ কৰি ‘লক্ষেশ্বৰ হাজৰিকা স্পন্দন বঁটা ২০২৪’ এইবাৰ লাভ কৰিবলৈ সক্ষম হৈছে প্ৰতিভাৱান কবি অম্লান দেউৰীয়ে। ‘অঁ, কবিতা’ শীৰ্ষক পাণ্ডুলিপিৰ বাবে অম্লান দেউৰীলৈ আগবঢ়োৱা হৈছে ২০২৪ বৰ্ষৰ লক্ষেশ্বৰ হাজৰিকা স্পন্দন বঁটা। এই বঁটাত আছে এটি ৰূপৰ স্মাৰক, মানপত্ৰ, অংগবস্ত্ৰ, কিতাপৰ টোপোলা আৰু নগদ দহ(১০,০০০) হাজাৰ টকা।
অহা ডিচেম্বৰ মাহৰ ২৫ তাৰিখে কটন কলেজৰ এলমনাই ভৱনত অনুষ্ঠিত হ'বলগীয়া এক বিশেষ অনুষ্ঠানত এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব বুলি উদ্যোক্তাসকলে জনাইছে।




হাজোত তৃণমূল কংগ্ৰেছৰ কাৰ্যালয় উদ্বোধনী অনুষ্ঠানত সাংসদ সুস্মিতা দেৱ

## সানোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিশু দিৱস উদযাপন

**ই-সংবাদ, দুমুনিচকী, ১৪ নৱেম্বৰঃ** দিনযোৰা কাৰ্যসূচীৰে দৰং জিলা সংমগুলৰ বিদ্যালয়সমূহৰ অন্তৰ্গত ছিপাঝাৰৰ সানোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি স্বাধীন ভাৰতৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্ম দিৱস উপলক্ষে শিশু দিৱস পালন কৰা হয়। শিশু দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰচনা, চিত্ৰাংকন, আকস্মিক বক্তৃতা আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ ৰচনা শাখাৰ 'ক' শাখাত ১ম, ২য় আৰু ৩য় স্থান লাভ কৰে ক্ৰমে মিফতাউৰ ৰহমান, নাজিফা চিদ্দিকা, চাকলিন মোস্তাক, ‘খ’ শাখাত ১ম, ২য়, ৩য় স্থান লাভ কৰে ক্ৰমে নুৰ আলম, মোজাক্কিৰ হুছেইন আৰু জেৰিফা মহচিনাই। একেদৰে চিত্ৰাংকনত ১ম, ২য়, ৩য় আৰু নিচুকনি বঁটা লাভ কৰে ক্ৰমে উম্মে চালমা, চাৰ্জিনা চুলতানা, ৰফিকা খাতুন আৰু জেফৰিন মিৰ্জাই। আকস্মিক বক্তৃতাত ১ম, ২য়, ৩য় আৰু নিচুকনি বঁটা লাভ কৰে ক্ৰমে নুৰ আলম, মাচুম নাজমিন, ফাহিম ৰাদিফ আৰু ইনচান আলীয়ে। আনহাতে, কুইজ প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয়, তৃতীয় স্থান লাভ কৰে ক্ৰমে চিহাব চাকিবৰ দল, নাজিফা চিদ্দিকাৰ দল আৰু মাচুম চিদ্দিকাৰ দলে। পুৰস্কাৰ বিতৰণ অনুষ্ঠান পৰিচালনা কৰে বিদ্যালয়খনৰ ছাত্ৰ সন্মিলনৰ সভাপতি ফখৰুদ্দিন আহমেদে। ইপিনে, একেখন সভাতে দুমুনিচকীৰ যুৱ সাংবাদিক আতিকুৰ ৰহমানক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক নাজিমুদ্দিন আহমেদ আৰু পৰিচালনা সমিতিৰ সভাপতি চামছুল হকে ভাষণ প্ৰদান কৰি শিশু দিৱসৰ তাৎপৰ্যৰ বিষয়ে কয়।

## আগমনিত বাল্যবিবাহ, আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে পিতৃক

**ই-সংবাদ, গোলকগঞ্জ, ১৪ নৱেম্বৰঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত ঝাপুচাবাৰী দ্বিতীয় খণ্ড গাঁৱত নাবালিকাকৰ সৈতে বিয়া দি পিতৃ আৰক্ষীৰ জালত পৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। যোৱা বছৰ মুখ্যমন্ত্ৰীয়ে বাল্যবিবাহৰ ক্ষেত্ৰত কঠোৰ নিৰ্দেশনা দিয়াৰ পিছতে আৰক্ষীয়ে সমগ্ৰ অসমত তীব্ৰ অভিযান চলাই বহু লোকক গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰিছিল। সেই সময়ত একাংশই আৰক্ষীৰ চকুত ধূলি দি পলায়ন কৰিছিল। তেনে দুজন অভিযুক্তক যোৱা নিশা আগমনি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। জানিব পৰা মতে, গাঁওখনৰ জাকিৰ হুছেইনে এবছৰ পূৰ্বে পুত্ৰক একে গাঁৱৰে এটি নাবালিকাৰ সৈতে বিয়া দিয়ে। এই সন্দৰ্ভত আৰক্ষীয়ে আগমনি থানাত ভাৰতীয় ন্যায় সংহিতাৰ প'চকো আইনৰ অধীনত ৮৯/২৪ নম্বৰত গোচৰ ৰুজু কৰে। আজি পুৱতি নিশা আৰক্ষীয়ে ঘৰখনত অভিযান চলাই পিতৃ জাকিৰ হুছেইনৰ লগতে পেহী মিনা বিবিক গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰে। বাল্য বিবাহ সম্পন্ন কৰাক লৈ অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## চতিয়াত গাঞ্জাসহ আটক এজন

**চতিয়া, ১৪ নৱেম্বৰঃ** চতিয়াত বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ কৰাৰ লগতে এজন লোকক আৰক্ষীয়ে আটক কৰে। চতিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ত্ৰিলোচন দাসৰ নেতৃত্বত আজি অতৰ্কিতে চতিয়াৰ ২ নং কাছমাৰীৰ ভৰত গুৰচন নামৰ ব্যক্তিজনৰ ব্যৱসায়ীক প্ৰতিষ্ঠানত চলোৱা এক অভিযানৰ সময়ত চতিয়া আৰক্ষীয়ে বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ কৰিবলৈ সক্ষম হয়। উদ্ধাৰ কৰা গাঞ্জাখিনিৰ ওজন প্ৰায় তিনি কিলোগ্ৰাম। চতিয়া আৰক্ষীয়ে ইতিমধ্যে ভৰত গুৰচন নামৰ ব্যক্তিজনৰ আটক কৰি বাতৰি লিখা পৰলৈকে সোধা-পোছা অব্যাহত ৰাখিছে।

## ফেডাৰেশ্যন কাপ

# দিল্লীলৈ ৰাওনা ডিব্ৰুগড়ৰ কাৰাটে খেলুৱৈৰ দল

**ই-সংবাদ, চাবুৱা, ১৪ নৱেম্বৰঃ** দেশৰ সৰ্ববৃহৎ কাৰাটে ইভেণ্টত অংশ গ্ৰহণ কৰিবলৈ ডিব্ৰুগড়ৰ পৰা ৰাওনা হৈছে কেবাগৰাকী উদীয়মান খেলুৱৈ। কাৰাটে ইণ্ডিয়া অৰ্গেনাইজেচনে আয়োজন কৰা ফেডাৰেচন কাপ প্ৰিমিয়াৰ লীগত অংশগ্ৰহণৰ উদ্দেশ্যে আজি ডিব্ৰুগড়ৰ কেবাগৰাকী উদীয়মান কাৰেটে খেলুৱৈ দিল্লীলৈ ৰাওনা হৈছে। ৰে'লযোগে যাত্ৰা কৰিবলগীয়া যুব ক্ৰীড়াবিদসকলে প্ৰশিক্ষক তপন ভূঞাৰ তত্বাৱধানাত প্ৰতিযোগিতাত অংশ ল'ব। ৰজীনা গোৱালা, নিৰাজ গোৱালা, ৰহন কাহাৰ, তুলসী মুণ্ডা, অতুল পানিকা, জুনালি তপ্নো, দিয়াৰন্তি উৰাং আৰু ৰতী পানীকাই ডিব্ৰুগড় বাণীপুৰ ৰে'ল ষ্টেচনৰ পৰা দিল্লীলৈ ৰাওনা হয়। ৰে'ল ষ্টেচনত খেলুৱৈসকলক শুভেচ্ছা জ্ঞাপন কৰে অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ ডিব্ৰুগড় জিলা সমিতিৰ সাধাৰণ সম্পাদক খগেন ৰাজোৱাৰে। জানিব পৰা মতে, কাৰাটে ইণ্ডিয়া অৰ্গেনাইজেচন চমুকৈ কেআইঅ'-ই ক্লাব, একাডেমীৰ সৈতে জড়িত খেলুৱৈসকলক আন্তৰ্জাতিক পৰ্যায়ৰ অভিজ্ঞতা লাভ কৰাবৰ বাবে যুৱ লীগ আৰু প্ৰিমিয়াৰ লীগ অনুষ্ঠিত কৰি আহিছে। ডব্লিউকেএফ আৰু একেএফ অনুজ্ঞাপত্ৰ ধাৰক ৰেফাৰীৰ তত্বাৱধানত চাৰিশতকৈ অধিক সদস্যই প্ৰতিনিধিত্ব কৰিবলগীয়া প্ৰতিযোগিতাখন ১৯-২৩ নৱেম্বৰলৈ নতুন দিল্লীত অনুষ্ঠিত হ'ব।

# মুকালমুৱাত খেল মহাৰণ আৰম্ভ

**ই-সংবাদ, মুকালমুৱা, ১৪ নৱেম্বৰঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে বিভিন্ন পৰ্য্যায়ত আৰম্ভ হৈছে খেল মহাৰণ সমাৰোহ। খেলুৱৈ সৃষ্টিৰ লক্ষ্য আৰু উদ্দেশ্য আগত লৈ আয়োজন কৰা হৈছে এই খেল মহাৰণ। উঠি অহা প্ৰজন্মক ক্ৰীড়াৰ প্ৰতি আকৰ্ষিত কৰাৰ উদ্দেশ্যে আয়োজন কৰা এই খেল মহাৰণ কাৰ্যসূচী ৫৪নং কেকান কাপলাবড়ী গাঁৱ পঞ্চায়তৰ কালদিত বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনে উদ্বোধন কৰে। খেল মহাৰণ কাৰ্যসূচীৰ উদ্বোধন কৰি বিধায়কগৰাকীয়ে এই খেল মহাৰণে নৱ প্ৰজন্মক ক্ৰীড়াৰ প্ৰতি আকৰ্ষিত কৰাৰ লগতে ৰাজ্যত এক ক্ৰীড়াৰ পৰিৱেশ গঢ়ি তুলিব বুলি উল্লেখ কৰে। আজিৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে বৰক্ষেত্ৰী খণ্ডৰ উন্নয়ন বিষয়া প্ৰকাশ বৰ্মন, পঞ্চায়ত সচিব নুৰুল আলীৰ লগতে শিক্ষক, প্ৰশিক্ষক আৰু স্কুলীয়া ছাত্ৰ-ছাত্ৰী।



ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে তৃতীয় টি-২০ত উইকেট দখলৰ পিছত ইংলেণ্ডৰ বলাৰৰ উল্লাস, বৃহস্পতিবাৰে

## মহাৰাম নাথ-পুহৰাম নাথ সোঁৱৰণী ফুটবল

# খিতাপৰ যুঁজত দলবাৰী সংঘ-অসম পুলিচ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১৪ নৱেম্বৰঃ** মৰিগাঁও জিলাৰ চৰাইবাহী আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত সন্থাৰ নিজা খেলপথাৰত সামৰণিৰ দিশে আগবঢ়া সোণালী জয়ন্তী বৰ্ষ মহাৰাম নাথ আৰু পুহৰাম নাথ সোঁৱৰণী প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ অহা ১৭ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া ফাইনেলত মৰিগাঁৱৰ দলবাৰী যুৱকল্যাণ সংঘই অসম পুলিচ ফুটবল দলৰ বিৰুদ্ধে খিতাপ লাভৰ যুঁজত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। সদৌ অসম ভিত্তিত আয়োজিত আমন্ত্ৰণমূলক এই প্ৰতিযোগিতাৰ কালি দ্বিতীয়খন ছেমি ফাইনেলত অসম পুলিচ ফুটবল দলে পটুৱাকটাৰ নিউ ষ্টাৰ ক্লাবক ৫-১ গ'লত পৰাজিত কৰে। খেলখনত অসম পুলিচ দলটোৰহৈ দৰজে লামাই তিনিটাকৈ গ'ল দি হেট্ৰিক কৰাৰ লগতে টিংকু বৰগয়াৰী আৰু চটগামচাৰ বসুমতাৰীয়ে এটাকৈ গ'ল দিয়াৰ বিপৰীতে পটুৱাকটা নিউ ষ্টাৰ ক্লাবৰহৈ নিপুল ভাণ্ডাৰীয়ে একমাত্ৰ গ'লটো দিয়ে। আনহাতে, মঙলবাৰে প্ৰথমখন ছেমি ফাইনেলত দলবাৰী যুৱ কল্যাণ সংঘই চমকপ্ৰদ প্ৰদৰ্শনৰে বঢ়মপুৰৰ নৰম অসম আৰক্ষী বাহিনীক ৩-১ গ'লত হৰুৱাই ইতিপূৰ্বে ফাইনেলত উপনীত হৈছে। চৰাইবাহী আঞ্চলিক ক্ৰীড়া সন্থাৰ সভাপতি ভগৱান ভড়ালী আৰু সম্পাদক পল্লৱজ্যোতি নাথে জানিবলৈ দিয়ামতে, ১৭ নৱেম্বৰৰ ফাইনেল খেলখন পূৰ্বৰ খেলসমূহৰ দৰে যথেষ্ট উপভোগ্য হৈ উঠিব বুলি আশা কৰা হৈছে।

# পূব লাহিঙত আৰম্ভ খেল মহাৰণ

**ই-সংবাদ, মৰিয়নি, ১৪ নৱেম্বৰঃ** গ্ৰাম্য অঞ্চলৰ সুপ্ত প্ৰতিভা বিকাশৰ উদ্দেশ্যে অসম চৰকাৰে আয়োজন কৰা দ্বিতীয় সংস্কৰণৰ খেল মহাৰণ আজিৰে পৰা যোৰহাট জিলাত আৰম্ভ হৈছে। ইয়াৰ লগত সংগতি ৰাখি ১১ নং পূব যোৰহাট উন্নয়ন খণ্ডৰ পূব লাহিং গাঁও গাঁও পঞ্চায়ত ভিত্তিক এই প্ৰতিযোগিতাখনি টিপমীয়া গাঁৱৰ খেলপথাৰত অনুষ্ঠিত হৈছে। খেল মহাৰণ উপলক্ষে পুৱা আয়োজিত উদ্বোধনী অনুষ্ঠানত উদ্বোধকৰূপে উপস্থিত থাকে হাঁহচৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মাধৱ গগৈ। এই অনুষ্ঠানত পূব লাহিং গাঁও পঞ্চায়তৰ সভাপতি ঋতু বুঢ়াগোহাঁই স্থানীয় সমাজকৰ্মী প্ৰদীপ গগৈকে ধৰি বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকে। আজি লং জাম্প, দৌৰ আদি প্ৰতিযোগিতাসমূহত শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)

কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি